# CONTENTS

## BUDGET SESSION

**No. 6**

Dated, the 4th July, 2009


| | | |
|---|---|---|
| . | General Discussion on the Budget | 1 |
| 2. | Motion for Election of Member | 72 |
| 3. | Point of Clarification | 73 |
| 4. | Adjournment | 73 |

## DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY
### Saturday, the 4th July, 2009.

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with **Shri Tanka Bahadur Rai**, Speaker in the Chair.

### GENERAL DISCUSSION ON THE BUDGET

**মাননীয় অধ্যক্ষ ঃ** চৰকাৰী কাৰ্যসূচী আইটেম নং ১। মই এতিয়া মাননীয় বিধায়ক শ্ৰীৰাণা গোস্বামীৰ বাজেটৰ ওপৰত ব্যক্তব্য দাঙি ধৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীৰাণা গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জনাইছো। ২০০৯-২০১০ চনৰ বাবে অসমৰ মাননীয় মুখ্য মন্ত্ৰী তথা বিত্ত মন্ত্ৰীৰ দায়িত্বত থকা শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই যি বাজেট সদনত দাখিল কৰিছে তাৰে আলোচনাত আজি শাসক পক্ষৰ বিধায়ক হিচাপে মই দুআষাৰ ক'ব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা সময়ছোৱাত বিশ্বত অৰ্থনীতিৰ ক্ষেত্ৰত যি মন্দা অৱস্থাই দেখা দিছে তাৰ প্ৰভাৱ ভাৰত চৰকাৰতো অৰ্থনীতিৰ বেয়া প্ৰভাৱ পৰিছে আৰু তাৰ লগতে আমাৰ ৰাজ্যখনতো এই অৰ্থনীতিৰ প্ৰভাৱ নপৰা নহয়। পৰিছে। আনকি বিশ্ব বজাৰত খাৰুৱা তেলৰ মূল্য হ্ৰাস হোৱাৰ লগে লগে আমাৰ ভাৰত তথা অসমতো অসমৰ খাৰুৱা তেল ঘৰুৱা বজাৰত মূল্য হ্ৰাস পাইছে। ফলত অসমে বহু অৰ্থ হেৰুৱাব লগা হৈছে আৰু অসমৰ কৰ সংগ্ৰহত বহুত পিছ পৰি থাকিব লগা হৈছে। তৎসত্বেও এই ৰাজ্যখনৰ অৰ্থনীতি আৰু সামাজিক সকলো দিশ চালি-

জাৰি চাই আগুৱাই নিয়া প্ৰচেষ্টাৰে গতি শীলতা ধৰি ৰাখিবৰ বাবে এই ৰাজ্যখনৰ দ্বাৰাই চেষ্টা কৰা হৈছে। অৰ্থনীতি উন্নয়নত এই বাজেটখন সুখম হ'ব বুলি মই অভিহিত কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ বাজেট বিতৰ্কত বিৰোধী পক্ষৰ ফালৰ পৰা বিৰোধী দলৰ দলপতি তথা কেইবাজনো মাননীয় সদস্যই এই বাজেটৰ ওপৰত বক্তব্য ৰাখিছে। মই শাসক দলৰ হৈ আজি সদনত দুআষাৰ ক'বলৈ সুবিধা পাইছো। বিৰোধী পক্ষৰ চিন্তাধাৰা ফালৰ পৰা দেখা গৈছে এইবাৰ তেখেতসকলৰ ভাষণত চকু নাই। বিৰোধী পক্ষৰ দলপতি মাননীয় সদস্য শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীদেৱে বক্তব্য ৰাখিছে, তেখেতে কেৱল চৰকাৰী চাকৰিয়াল আৰু পেঞ্চনাৰ সকলৰ ওপৰত বেছিকৈ গুৰুত্ব দিছে। তেখেতে ৮০ মিনিটতকৈ বেছি সময় বক্তব্য ৰাখিছিল। বহু সময়ত বহু খুহুতীয়া কথা কৈ সময় পাৰ কৰিছিল।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ভৱিষ্যত দিশটো চাবলৈ হ'লে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। যোৱাবাৰ বাজেটত শিক্ষাৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছিল। যোৱা কেইটাবছৰত অসমৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল শিক্ষাৰ ক্ষেত্ৰত কিছু নিৰুৎসাহ হৈছে। সেইকাৰণে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে শিক্ষা বিভাগটোৰ ওপৰত বেছি গুৰুত্ব দিছে। আমাৰ যিবিলাক মাধ্যমিক শিক্ষাৰ বিদ্যালয় বা কলেজ আছে সেইবিলাকৰ আন্তঃগাঁঠনি ভাঙি পৰাত যোৱা বছৰবোৰত শিক্ষাৰ ক্ষেত্ৰত মানসিকভাৱে ভাঙি পৰিছিল আৰু যোৱা কেইটা বছৰত অসমৰ মাননীয় মুখ্য মন্ত্ৰী আৰু শিক্ষা মন্ত্ৰী মহোদয়ে কিছু পৰিমাণে হ'লেও অসমীয়া মাধ্যমৰ বিদ্যালয় আছে তাৰ আন্তঃগাঁঠনি প্ৰস্তুত কৰি হ'লেও উন্নত পৰিৱেশ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। তাৰে ফলশ্ৰুতিত অসমৰ ছাত্ৰ-ছাত্ৰীসকলে হাইস্কুল আৰু মাধ্যমিকৰ ফলাফল ভাল

কৰি আমাৰ জনসাধাৰণক দেখুৱাব পাৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখনত কেইটামান গুৰুত্বপূৰ্ণ দিশ দেখিবলৈ পাইছো। আমাৰ হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী স্কুলবিলাকত কিছু উন্নত হৈছে যদিও আৰু বহুখিনি আগুৱাব লগা আছে। এইবাৰ মাধ্যমিক বিদ্যালয়বিলাকৰ কাৰণে ৪৪ কোটি টকা ধাৰ্য্য কৰি অৰ্থিক সাহাৰ্য্য দিবৰ বাবে চেষ্টা কৰা হৈছে। সেইটো আমি সকলোৰে আদৰণি জনাইছো। আৰু ইতিবাচক দিশ বুলি আমি গুৰুত্ব আৰোপ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ ল'ৰা-ছোৱালী বিলাকে কাৰিকৰী শিক্ষা ল'বৰ বাবে বাহিৰলৈ যায়। তেনেকৈ যোৱাৰ ফলত আমাৰ অসমে বহুতো ৰাজহ হেৰুৱাবলগীয়া হয়। বাহিৰত ছাত্ৰ-ছাত্ৰীসকলে হেজাৰ হেজাৰ টকা ভৰিবলগীয়া হয়। অসমৰ পৰা অৰ্থ ভাণ্ডাৰ নাযাবৰ কাৰণে উন্মত কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিব লাগিব। এইবাৰ অসমৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে বাজেটত টেকনিকেল এডুকেচনত গুৰুত্ব দিছে। আমাৰ অসমত যিবিলাক ইঞ্জিনিয়াৰিং কলেজ আছে তাত যি নগন্য চিট আছে তাৰ তুলনাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহুত বেছি। মেডিকেল কলেজৰ অৱস্থাও তথৈবচ। সেয়েহে ইঞ্জিনিয়াৰিং আৰু মেডিকেল পঢ়িব বিচৰা ছাত্ৰ-ছাত্ৰীসকলে বাহিৰত পঢ়িবলৈ যাবলগীয়া হয়। মাক দেউতাকে বহুত টকা ভৰি পঢ়ুৱাবলগীয়া হয়। অসমৰ ইঞ্জিনিয়াৰিং কলেজত ৩০০ চিট বৃদ্ধি কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে। তাৰ কাৰণে আমি আদৰণি জনাইছো। মেডিকেল কলেজৰ ক্ষেত্ৰতো যাতে চিট বৃদ্ধি কৰিবৰ বাবে চেষ্টা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, যোৰহাটত যিটো ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰ আছে তাত পঢ়ুৱাবৰ বাবে শিৱসাগৰ, গোলাঘাট, ডিব্ৰুগড়

আদি জিলাবিলাকৰ পৰা আহিছে আৰু প্ৰায় ১৫, ১৬ হেজাৰ ল'ৰা-ছোৱালীয়ে এই প্ৰশিক্ষণ কেন্দ্ৰটোত ফৰ্ম ফিলাপ কৰিছে। আৰু প্ৰায় ৪০০ ছাত্ৰ-ছাত্ৰীক চিট দিয়াৰহে ব্যৱস্থা আছে।

মাননীয় অধ্যক্ষ মহোদয়, সৌ সিদিনা আমাৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে শ্ৰম বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰীযুত পৃথিৱী মাঝি ডাঙৰীয়াৰ লগত টেকনিকেল ইন্‌ষ্টিটিউট বিলাকত আসন বঢ়োৱাৰ বাবে যি সিদ্ধান্ত গ্ৰহণ কৰিছে তাক আমি আদৰণি জনাইছো। আজি আমাৰ বহু ল'ৰা-ছোৱালীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। দ্বিতীয় বিভাগতো বহু সংখ্যক ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। কিন্তু তৃতীয় বিভাগত এই বছৰো সৰ্বাধিক ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। এই তৃতীয় বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলে আজি মহাবিদ্যালয়সমূহত এডমিচন নাপায়। সেয়েহে এইসকল ছাত্ৰ-ছাত্ৰীয়ে যদি আজি আই, টি, আই বা তেনে সমপৰ্যায়ৰ প্ৰতিষ্ঠানত এডমিচন পাব পাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো। নহ'লে এইসকল ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত আজি অন্ধকাৰ হৈ পৰিব। সেয়েহে আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি আই, টি, আই বা তেনে সম পৰ্যায়ৰ অনুষ্ঠান প্ৰতিষ্ঠান সমূহত যি আসন বঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে তাক আমি আদৰণি জনোৱাৰ প্ৰয়োজন। লগতে মই আশা ৰাখিছো যাতে এই সিদ্ধান্ত অতি সোনকালে কাৰ্য্যকৰী হ'ব। মাননীয় অধ্যক্ষ মহোদয়, মই যোৰহাটৰ বিধায়ক হিচাপে অতি সুখী। আজি ভাৰত চৰকাৰে উত্তৰ পূৰ্বাঞ্চলত যিখন নেচনেল ইন্‌ষ্টিটিউট অব ডিজাইন টেকন'লজি খুলিব বিচাৰিছে সেইখন আমাৰ যোৰহাটতে খোলাৰ বাবে সিদ্ধান্ত লোৱা হৈছে আৰু ইয়াৰ বাবে ইতিমধ্যে ৬০ বিঘা মাটি আমাৰ জিলাৰ উপায়ুক্তই

তেওঁলোকক দিবলৈ সক্ষম হৈছে। এই কাম আৰম্ভ হ'লে আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ ল'ৰা-ছোৱালীয়ে ডিজাইন টেকন'লজি পঢ়াৰ বাবে সুবিধা লাভ কৰিব পাৰিব। ইয়াৰ বাবে মই ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীমনমোহন সিং ডাঙৰীয়াক আৰু ইউ. পি. এ সভানেত্ৰী মাননীয়া শ্ৰীমতী চোনিয়া গান্ধী ডাঙৰীয়ানীক আৰু আমাৰ মাননীয় মুখ্য মন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ ডাঙৰীয়াক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, আজি আমি শিক্ষা খণ্ডক আগুৱাই নিয়াৰ লগে লগে অসমৰ আৰ্থিক, সামাজিক আদি সকলো দিশতে আগুৱাই নিবলৈ হ'লে আমি কেইটামান বিভাগত বিশেষ গুৰুত্ব দিব লাগিব। যোগাযোগৰ উন্নয়নৰ বাবে যেনেকৈ গ্ৰাম্যাঞ্চলৰ ভাঙি থকা দলংসমূহ মেৰামতিৰ বাবে গুৰুত্ব দিবলগীয়া হয়। ঠিক তেনেকৈ খোৱা পানীৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগক আৰু স্বাস্থ্য খণ্ডৰ বাবে স্বাস্থ্য বিভাগক গুৰুত্ব দিবলগীয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, আজি আমি সকলোৱে পৰা দেখি আহিছো যে সকলো ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে নিৰ্বাচনৰ সময়ত যেতিয়া গাওঁ অঞ্চললৈ যায় তেতিয়া গাৱঁৰ ৰাইজে খোৱাপানী, ৰাস্তা-ঘাট, দলং, বিজুলীবাতি আদিৰ কথা কয় আৰু তেতিয়াই আমাৰ প্ৰাৰ্থীসকলে ৰাইজক কয় যে মোক ভোট দিয়ক মই খোৱাপানী, দলং, ৰাস্তাঘাট আদি বনাই দিম। কিন্তু এতিয়া আমাৰ তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰৰ দিনত এই সকলোবোৰ কাৰ্য্যকৰী হৈছে আৰু ভৱিষ্যতলৈও যদি এনেকুৱা হৈ থাকে তেতিয়াহ'লে হয়তো ভৱিষ্যতে প্ৰাৰ্থীসকলে নিৰ্বাচনৰ সময়ত ৰাইজক এনেদৰে ক'বলৈ একো নাথাকিব বুলি মই অনুভৱ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি মই গড়কাপ্তানি বিভাগে পি. এম. জি. এচ. ৱাই. বা এল.এল.চি. পি. আৰ আঁচনিৰ যোগেদি কি কাম কৰিছে কবলৈ নাযাও। কিন্তু আমাৰ মাননীয় মুখ্য মন্ত্ৰীৰ ৰাইজৰ প্ৰতি যি সদিচ্ছা

তাক প্ৰকাশ কৰি মুখ্য মন্ত্ৰীৰ পকীপথ আঁচনি নামেৰে এখন আঁচনি লৈছে। এই আঁচনিৰ জৰিয়তে আজি আমাৰ অসমৰ ভালেখিনি ৰাস্তা প্ৰস্তুত হৈ উঠিছে আৰু বহুখিনি এতিয়াও কৰিবলৈ বাকী আছে। ইয়াৰ লগে লগে আমি দেখিবলৈ পাইছো যে আমাৰ যি চি. আৰ. এফ আঁচনি আছে আঁচনিৰ জৰিয়তে ২০০৪-২০০৫ বৰ্ষৰ পৰা আজিলৈকে মুঠ প্ৰায় ৯৮১ কিলোমিটাৰ পথ সামৰি লোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ভিতৰত ২৮১ খন গুৰুত্বপূৰ্ণ দলং সামৰি লোৱা হৈছে আৰু ইয়াৰ বাবে ৩৭৯.৯৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইতিমধ্যে এই ৯৮১ কিলোমিটাৰ পথৰ ৫৮৩ টা পথ সম্পূৰ্ণ হৈছে আৰু ৩৯৮ টা পথৰ কাম কৰিবলৈ বাকী আছে। ইয়াৰ ফলত আজি আমাৰ অসমৰ পথ উন্নয়নৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰা হৈছে। অধ্যক্ষ মহোদয়, আমাৰ এই পবিত্ৰ সদনত ভাৰত বাংলাদেশ ফেঞ্চিঙৰ বিষয়ে সদায়েই আলোচনা কৰা হয়। কিন্তু আমি এটা সমীক্ষাত দেখিছো যে ১৯৯৬ চনৰ পৰা ২০০১ চনলৈকে ভাৰত বাংলাদেশৰ ফেঞ্চিংঙৰ কাম এক কিলোমিটাৰো আগবঢ়া নাছিল। কিন্তু আজি আমি এই স্পৰ্শকাতৰ বিষয়টো শীঘ্ৰে সমাধান কৰাটো বিচাৰো। আমি অসমৰ বাংলাদেশ বা ভাৰত বাংলাদেশ বোৰ্ডাৰ চিল কৰিবই লাগিব। ১৯৯৬ চনৰ পৰা ২০০১ চনলৈ কাম নকৰাৰ ফলত বহু সমস্যা বাঢ়ি গ'ল। কিন্তু এতিয়া আমাৰ চৰকাৰে ২০০১ চনৰ পৰা ২০০৯ চনলৈকে ৩১ কিলোমিটাৰ পথ বহু সমস্যাৰ মাজেদি কৰিবলৈ সক্ষম হৈছে। বাকী যিখিনি আছে তাৰ বাবেও চেষ্টা চলাই থকা হৈছে। গতিকে এই বিষয়টো যাতে সদনৰ মজিয়াত আলোচনা কৰিবলগীয়া নহয় তাৰ বাবে বিভাগীয় মন্ত্ৰী মহোদয়ে পদক্ষেপ গ্ৰহণ কৰিব। অধ্যক্ষ

মহোদয়, যোৱা বছৰ ২০০৮-২০০৯ চনৰ বাজেটত আমি দেখিবলৈ পাইছিলো যে অসমৰ বিভিন্ন জনগোষ্ঠী আৰু অনুসূচিত জাতিৰ লোক সকলৰ বাবে বিভিন্ন আঁচনি লোৱা হৈছিল আৰু বিশেষকৈ ছয় জনগোষ্ঠীৰ উন্নয়নৰ বাবে স্বায়ত্ব শাসিত পৰিষদ গঠনৰ ব্যৱস্থা কৰা হৈছিল আৰু সেই বাবে যোৱা বছৰ বাজেটত ৯৩ কোটি টকা ধাৰ্য্য কৰা হৈছিল আৰু এই বছৰ ১০১.৭৮ কোটি টকা কৰাটোৱেই সূচাইছে জনগোষ্ঠীসমূহৰ প্ৰতি আমাৰ চৰকাৰৰ দায়বদ্ধতাৰ কথা।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ জনসাধাৰণৰ অবিচ্ছেদ্য অংগ চাহ জনগোষ্ঠী, আহোম চুতীয়া ৰাজবংশীকে আদি কৰি সাতখন নতুন উন্নয়ন পৰিষদ গঠন কৰাৰ ব্যৱস্থা ৰাখিছে। মই আশা কৰিছো অতি সোনকালে কাৰ্য্যকৰী কৰি যাতে জনগোষ্ঠী সমূহক সকাহ দিয়ে তাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো। এই ক্ষেত্ৰত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। অসমখনক খণ্ড বিখণ্ড নকৰি অসমখনক যাতে ধৰি ৰাখিব পৰা যায় তাৰ ই এক প্ৰচেষ্টা বুলি মই ভাবো। মাননীয় অধ্যক্ষ মহোদয়, আজি মই খোৱা পানীৰ কথা ক'বলৈ ওলাইছো। জনস্বাস্থ্য কাৰিকৰী বিভাগে যোৱা সময়ছোৱাৰ ভিতৰত অসম চৰকাৰৰ যোগেদি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনেৰে যিখিনি কাম কৰিবলৈ সক্ষম হৈছে প্ৰত্যেক জন বিধায়কে কম বেছি পৰিমাণে ইয়াৰ সুবিধা লাভ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, আজি মোৰ সমষ্টিত বহুখিনি গাওঁ পাইপ লাইনেৰে খোৱা পানী যোগানৰ আঁচনিৰে সামৰি লোৱা হৈছে। এতিয়া বহুত নতুন আঁচনি আহিছে। এই নতুন আঁচনিসমূহ কাৰ্য্যকৰী হ'লে আমাৰ বহুত গাওঁ বিশুদ্ধ খোৱাপানী আঁচনিৰ অধীনত সামৰি ল'ব পাৰিম বুলি আশা কৰিছো। এই বাজেট অধিৱেশনতে পৰহি দিনা বাজেট ভাষণত

আমাৰ শ্ৰদ্ধাৰ মাননীয় শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পইচা ঘূৰি যোৱা বুলি কৈছে আৰু সামগ্ৰিকভাবে উন্নয়ন হোৱা নাই বুলি কৈছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো প্ৰায় বিলাক বিধায়ক সমষ্টিতেই কম বেছি পৰিমাণে খোৱা পানী আঁচনি অনুমোদিত হৈছে। আৰু তেখেত সকল লাভান্বিতও হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই আশা কৰিছো আমাৰ বাকী থকা সমষ্টি সমূহত সম্পূৰ্ণ ৰূপে ১০০ শতাংশই বিশুদ্ধ খোৱা পানী আঁচনিৰ অধীনত সামৰি ল'ব পাৰো তেতিয়াহ'লে অহা দিন বিলাকত অসমৰ সকলো ঠাইতে ৰাইজে বিশুদ্ধ খোৱাপানী পাবলৈ সক্ষম হ'ব। মই আশা কৰিছো এই ক্ষেত্ৰত যাতে জনস্বাস্থ্য কাৰিকৰী বিভাগে সকলোকে সমান চকুৰে চায়, তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলপতি মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ সমষ্টিত আমি দেখা পাইছো যে ২০০৬ চনলৈকে ১৯ টা খোৱা পানী আঁচনি আছিল। কিন্তু এতিয়া বৰ্তমান ২০০৬ চনৰ পৰা ২০০৯ চনলৈকে ধৰ্মপুৰ সমষ্টিত পুনৰ ১৪ টা নতুন আঁচনি অনুমোদন হৈছে আৰু তাৰ বাবে ৭৪৭.৫৯ কোটি টকা অনুমোদন হৈছে। গতিকে এই ক্ষেত্ৰত মই জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। তেখেতে সকলোকে সমান চকুৰে চাই এই পদক্ষেপ লৈছে। তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ কথা উল্লেখ কৰিব বিচাৰিছো। উত্তৰ লক্ষীমপুৰত এটা ইন্দোৰ ষ্টেডিয়াম আৰু যোৰহাটত এটা চুইমিং পুল দিয়াৰ সিদ্ধান্ত লৈছে। এইবাৰ বাজেটত এই দুটা নিৰ্মাণ কাৰ্য্যত ৫.৮৩ কোটি টকা ৰাখিছে।

তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি স্বাস্থ্য বিভাগতো আমূল পৰিৱৰ্তন অসমৰ জনসাধাৰণে লক্ষ্য কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মই আগতেও কৈছো আগতে স্বাস্থ্য বিভাগটো মানুহক চেলাইন দিয়াৰ সলনি নিজে চেলাইন লৈ শুই থাকে। কিন্তু আজি দেখিছো স্বাস্থ্য বিভাগটো বহুখিনি উন্নতি হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি যোৰহাটৰ চিভিল হস্পিতালৰ যত ৰোগীৰ কাৰণে খোৱা বনোৱা হয় তাত সোমাইছিলো। তাত সোমাই দেখিছিলো যে ৰোগীৰ কাৰণে যিখিনি খোৱা বস্তু বনাইছে, সেইখিনি ইমান উন্নত নহয়। এই বিষয়ে মই মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়ক কৈছিলো। এজন ৰোগীৰ কাৰণে ১৫ টকাকৈ আছিল। এই ১৫ টকাৰ পৰা কিছু পৰিমাণে বৃদ্ধি কৰিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছিলো। স্বাস্থ্যমন্ত্ৰী মহোদয়ে তেতিয়া মোক কৈছিল যে এই বিষয়ে তেওঁ চিন্তা চৰ্চা কৰি আছে। এতিয়া এইবাৰ বাজেটত পোন্ধৰ টকাৰ পৰা পঞ্চাশ টকালৈকে বৃদ্ধি কৰাৰ কাৰণে প্ৰস্তাৱ ৰাখিছে। তাৰ কাৰণে মই মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয় আৰু মূখ্য মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। দুখীয়া ৰোগীসকলৰ বাবে বীমা কৰাৰ ব্যৱস্থা এইবাৰ বাজেটত ৰাখিছে। ৩৫.০০০ টকাৰ বীমা আঁচনি তেওঁলোকে লাভ কৰিব। এইক্ষেত্ৰত মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ শলাগ লৈছো।

মাননীয় অধ্যক্ষ মহোদয়, শক্তিখণ্ডৰ কথা ক'বলৈ গ'লে আমি দেখা পাওঁ যে এখন ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নত নিৰ্ভৰ কৰে শক্তিখণ্ডৰ ওপৰত। উদ্যোগীকৰণ নহ'লে এখন ৰাজ্যৰ উন্নতি কেতিয়াও সম্ভৱ নহয়। বাহিৰৰ পৰা কোনোবা উদ্যোগীয়ে ইনভেষ্টমেণ্ট কৰিবলৈ অহাৰ আগতে শক্তিখণ্ডৰ খৱৰহে

পোনপটীয়াকৈ ৰাখে। মাননীয় অধ্যক্ষ মহোদয়, যোৱা সময়চোৱাত গোটেই ভাৰতবৰ্ষত বৰষুণৰ পৰিমাণ কমি আহিছে। এই বৰষুণৰ পৰিমাণ কমি অহাৰ কাৰণে বিদ্যুৎ উৎপাদন কমি গৈছে। অসমৰ ক্ষেত্ৰতো দেখা গৈছে বিদ্যুৎ উৎপাদন বহু পৰিমাণে কমি গৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই আশা কৰিছো বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত আমাৰ বহুখিনি কৰিবলগীয়া আছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত বিদ্যুৎ উৎপাদন বহুত কমি গৈছে। আমি এই উৎপাদন ব্যৱস্থা বঢ়োৱাৰ বাবে চেষ্টা কৰিব লাগিব। অধ্যক্ষ মহোদয়, আজি আমাৰ যি পৰিমাণৰ বিদ্যুৎ লাগে সেই অনুযায়ী উৎপাদন কৰিব পৰা নাই। বেলেগৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিবলগীয়া হৈছে। আমাৰ ২০০০ চনত বিদ্যুৎ উৎপাদন আছিল ১৪৫ মেগাৱাট। ২০০৯ চনত ইয়াৰ পৰিমান হ'ল ২৫৪ মেগাৱাট। মাননীয় অধ্যক্ষ মহোদয়, কেৱল পিক আৱাৰত ২০০০ চনত আমাৰ চাহিদা আছিল ৪৩০ মেগাৱাট আৰু আজি ২০০৯ চনত পিক্ আৱাৰত ইয়াৰ চাহিদাৰ পৰিমাণ হ'ল প্ৰায় এহাজাৰ মেগাৱাট। ইয়াৰ কাৰণ হ'ল দিনে দিনে জনসংখ্যা বৃদ্ধি হৈছে। ঘৰে ঘৰে এ.চি., ফ্ৰিজ হৈছে, কনজামশ্যন বেছি হৈছে। আমাৰ বিদ্যুৎ উপাদনৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দিব লাগে। অধ্যক্ষ মহোদয়, বহুত চৰকাৰ পাৰ হৈ গ'ল। আগৰ চৰকাৰবোৰত দেখা গৈছিল বিদ্যুৎৰ ক্ষেত্ৰত গুৰুত্ব দিয়া নাছিল। আজি বিদ্যুৎৰ চাহিদা বাঢ়ি গৈছে। কিন্তু উৎপাদন বঢ়া নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় তৰুণ গগৈৰ নেতৃত্বত চৰকাৰখনে বিদ্যুৎ খণ্ডৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে। তাৰ ফলত বিদ্যুৎ উৎপাদন বাঢ়িছে আৰু বহুতো আঁচনি হাতত লোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত এক দীঘলীয়া সময়ৰ বাবে কংগ্ৰেছ চৰকাৰে শাসন কৰিছিল। তেতিয়া যিবিলাক বিদ্যুৎ

উৎপাদন কেন্দ্র আছিল, সেইবোৰ ভালদৰে চলি আছিল। কিন্তু অধ্যক্ষ মহোদয়, ক'বলৈ বেয়া লাগিলেও ক'বই লাগিব যেতিয়া অসম গণ পৰিষদ চৰকাৰ আহিছিল তেতিয়া বিদ্যুৎ উৎপাদন নাবাঢ়িল বৰঞ্চ যিখিনি আছিল সেয়াও কম হ'ল। মোবাইল টাৰ্বানবোৰ বন্ধ কৰি দিয়া হৈছিল। বঙাইগাঁও থাৰ্মেল প্ৰজেক্ট যিটোৱে ২৪০ মেগাৱট বিদ্যুৎ উৎপাদন কৰিবলৈ সক্ষম হৈছিল সেইটো ১৯৯৮ চনত বন্ধ হৈ গৈছিল। ১৯৯৯ চনত অধ্যক্ষ মহোদয়, আমাৰ চন্দ্ৰপুৰ প্ৰজেক্টটো বন্ধক দিয়া হৈছিল। এইবোৰ তথ্য সহকাৰে কোৱা হৈছে। আমাৰ বাজেট ভাষণত মাননীয় বিৰোধী দলপতি শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই কৈছিল যে মাননীয় অধ্যক্ষ মহোদয়, আপুনি এতিয়া সদনত আছে, ঘৰত থকা হ'লে মোক ক'লেহেঁতেন, আৰু কওঁক আৰু কওঁক। তেখেতসকলৰ দিনত কাৰ্বি লাংপি বন্ধ হৈ গৈছিল। এতিয়া আমাৰ তৰুণ গগৈ ডাঙৰীয়াৰ দিনত এইটো কাৰ্য্যক্ষম হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমি বিদ্যুৎৰ উৎপাদন বঢ়োৱাৰ বাবে আৰু চেষ্টা কৰিব লাগিব। অধ্যক্ষ মহোদয়, আমি যদি গৃহ বিভাগৰ কথা ক'বলৈ যাওঁ এইবাৰ বাজেট ভাষণত বিৰোধী দলৰ পৰাও বিশেষ আলোচনা হোৱা দেখা পোৱা নাই। যিটো আইন শৃংখলাৰ পৰিস্থিতি তাৰ ওপৰত গতানুগতিক আলোচনা হৈছে। গৃহ বিভাগত আৰক্ষী বিভাগটো আধুনিকীকৰণ হোৱাটো সকলোৱে বিচাৰে। আধুনিকীকৰণ নকৰিলে আমি তেওঁলোকৰ পৰা কাম আদায় কৰিব নোৱাৰিম। আজি অসমত বহুতো উগ্ৰপন্থীৰ সমস্যা আছে। ভাৰতবৰ্ষতো এই সমস্যা আছে। তাৰ লগত ফেৰ মাৰিবলৈ আমি আৰক্ষীক আধুনিকীকৰণ কৰিব লাগিব। আজি পুলিচ বিভাগলৈ এই বাজেটত ১১৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। আশা কৰো উচিত পদেক্ষেপ গ্ৰহণ কৰি আমাৰ পুলিচ বিভাগটোৰ

অধিক কাৰ্য্যক্ষম কৰি তুলিব পাৰিম। আইন শৃংখলাৰ ক্ষেত্ৰত এই চৰকাৰ অহাৰ আগতে বা পিছত আৰক্ষী বিভাগত যিখিনি খালী পদ আছিল সেইবোৰ পূৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। হাজাৰ হাজাৰ পদ খালী হৈ থাকিলে কেনেকৈ আইন শৃংখলাৰ পৰিস্থিতি উন্নত হ'ব। আমাৰ চৰকাৰৰ দিনত ১১ হেজাৰ ৩৭ জন আৰক্ষী বিভাগত নিযুক্তি দিয়া হৈছে। বাকীখিনি পদ পূৰণ কৰিবলৈ চেষ্টা চলাই থকা হৈছে। দুটা নতুন বেটেলিয়ন গঠনৰ প্ৰস্তাৱ লোৱা হৈছে। আৰক্ষীসকলৰ শক্তি বঢ়াবলৈ আমি আৰু নিযুক্তি দিব লাগিব। অসমত নানা সমস্যা বাঢ়িছে, উগ্ৰপন্থী বাঢ়িছে। এই বিলাকৰ নিয়ন্ত্ৰণ কৰিবলৈ আমাৰ আৰক্ষী প্ৰশাসনটো শক্তিশালী কৰিব লাগিব। আমাৰ অগ্নিনিৰ্বাপক বাহিনীৰ ওপৰত গুৰুত্ব দিব লাগে। আমাৰ জনসাধাৰণে আজি কালি ঘৰবোৰ ওখ ওখ কৰি সাজিছে। ওপৰ মহলাত জুই লাগিলে তাক নুমাবলৈ হাইড্ৰলিক প্লেটৰ্ফমৰ ব্যৱস্থা কৰিব লাগে। প্ৰতি জিলাত এনে ধৰণৰ ফায়াৰ ব্ৰিগেডৰ ব্যৱস্থা কৰিলে ভাল হয়। আমাৰ নতুন ১৮ টা অগ্নি নিৰ্বাপক বাহিনী গঠন কৰিবলৈ প্ৰস্তাৱ লোৱাৰ কাৰণে আমি আদৰণি জনাইছো। মই এটা কথা উপলব্ধি কৰিছো অধ্যক্ষ মহোদয়, কৰবাত যেতিয়া বোমা বিস্ফোৰণ হয় বা বোমা ওলায়, সেইটো নিস্ক্ৰিয় কৰিবলৈ বোমা নিষ্ক্ৰিয় কৰাৰ এক্সপাৰ্ট বিচাৰি থাকিবলগীয়া হয়। মই আমাৰ যোৰহাটতে দেখিছো এই ক্ষেত্ৰত বহুত সময় লাগে। গতিকে আমাৰ পুলিছ ৰিৰ্জাভ বিলাকত বোমা নিস্ক্ৰিয় কৰাৰ বাবে মানুহৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিছো। যি কি নহওক অধ্যক্ষ মহোদয়, আমাৰ চহৰ বিলাকত বহুতো যান বাহন হৈছে আৰু তাৰ কাৰণে যথেষ্ট ট্ৰেফিক জাম হয়। ইয়াক নিয়ন্ত্ৰণ কৰিবলৈ যথেষ্ট সংখ্যক ট্ৰেফিক পুলিচ আমাৰ নাই। এই ট্ৰেফিক পুলিচৰ সংখ্যা বঢ়াবলৈ

মই অনুৰোধ কৰিলো। ইয়াৰ বাবে জিলা সদৰত যিখিনি অসুবিধা হৈছে তাক নক'লেও হ'ব। অধ্যক্ষ মহোদয়, মই বেছি দীঘলীয়া কৰিবলৈ নাযায়, আৰু দুটামান কথা কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিম।

অধ্যক্ষ মহোদয়, মই দীঘলীয়া কৰিব বিচৰা নাই। আৰু বহুত কথাই ক'ব লগা আছিল। আমাৰ ইৰিগেশ্বন মন্ত্ৰী মহোদয় বহি আছে। ইৰিগেশ্বনৰ ওপৰত নক'লে তেখেতে বেয়া পাব। সেই কাৰণে মই অকণমান ক'ব বিচাৰিছো। জলসিঞ্চন বিভাগৰ বিষয়ে ইতিমধ্যে সদনত আলোচনা হৈছে। যি বিলাক আঁচনি চলি আছিল সেইবিলাক পুৰণি, ১৯৭৬ চনতে আৰম্ভ কৰা হৈছিল। জলসিঞ্চন বিভাগে কাম আৰম্ভ কৰিলে কৃষকে পানী পাব। মাইনৰ ইৰিগেশ্বনৰ ক্ষেত্ৰত তেখেতসকলে যিধৰণে কাম আৰম্ভ কৰিছে সেইটো ভালধৰণে কৰিলে কৃষক ৰাইজ উপকৃত হ'ব। আগতে অসমৰ ৰাইজে ইৰিগেশ্বনৰ ওপৰত গুৰুত্ব দিয়া নাছিল। ইৰিগেশ্বন কি বস্তু বুজি পোৱা নাছিল। বৰষুণৰ পানী যথেষ্ট আছিল। সেই কাৰণে ইৰিগেশ্বনৰ ওপৰত গুৰুত্ব দিয়া নাছিল। কিন্তু এতিয়া বৰষুণ নোহোৱা বাবে কৃষক ৰাইজে জলসিঞ্চনৰ প্ৰয়োজনীয়তাৰ কথা বুজি পাইছে। জলসিঞ্চনৰ ওপৰত অধিক গুৰুত্ব দিব বিচাৰিছিল। এই ক্ষেত্ৰত ভৱিষ্যতে মোকামিলা কৰি কৃষিৰ উৎপাদন যাতে নকমে তাৰ প্ৰতি গুৰুত্ব দিব লাগিব। এই বাজেটখন অসমৰ জনসাধাৰণৰ বাবে উপযুক্ত বাজেট হৈছে বুলি অভিহিত কৰিলো। এইখিনি কৈয়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker** : Now, Shri Maneswar Brahama.

**শ্ৰীমনেশ্বৰ ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ২০০৯-২০১০ চনৰ বাবে যি বাজেট উৎথাপন কৰিছে এই

বাজেটখন ৰিয়েলেষ্টিক বাজেট বুলি মই ক'ব বিচাৰিছো। এই বাজেটখনৰ দ্বাৰা অসমৰ সৰ্বাঙ্গীণ উন্নতি হ'ব। অসমৰ ৰাইজৰ কল্যাণ হ'ব। অসমৰ ৰাইজে যেনেকুৱা বাজেট বিচাৰিছিল তেনেকুৱা বাজেট পাইছে। গতিকে এই বাজেটৰ দ্বাৰা অসমৰ ৰাইজৰ সৰ্বাঙ্গীণ উন্নতি হ'ব বুলি মই বিশ্বাস ৰাখিছো।

অধ্যক্ষ মহোদয়, এই বাজেটখন যদিও ভাল বাজেট, বি. টি. এ. ডি. ৰ কাৰণে যি এলোকেশ্বন দিছে সেইটো কম হৈছে। কাৰ্বি আংলঙৰ বাবে ১৮৬.৮৩ কোটি টকা দিয়া হৈছে। কাৰ্বি আংলং মাথোন এখন জিলা। জনসংখ্যা কম, কিন্তু বি. টি. এ. ডি.ত চাৰিখন জিলা, জনসংখ্যা ৩০ লাখতকৈও অধিক হ'ব। কাৰ্বি আংলংঙৰ কাৰণে যি টকা দিছে তাত আমি বেয়া পোৱা নাই। আমাৰ বি. টি. এ. ডি. ৰ কাৰণে মাত্ৰ ১৬৫ কোটি টকা দিছে, সেইটো বঢ়াই ২.৫ (আঢ়ৈ কোটি) হ'ব লাগে বুলি মই অনুৰোধ কৰিলো। আমাৰ বি. টি. এ. ডি. এলেকাত যথেষ্ট কাম হৈছে। আৰু বহুত কাম হ'বলৈ বাকী আছে। বি. টি. এ. ডি. এলেকাৰ অঞ্চলবিলাক উন্নতি কৰিবৰ কাৰণে বাকী থকা কাম বিলাক যাতে কৰিব পৰা যায় তাৰ বাবে মই আঢ়ৈ কোটি টকালৈ বঢ়াই দিয়াৰ বাবে অনুৰোধ কৰিছো। মই ভাবো এই ক্ষেত্ৰত চৰকাৰৰ সদ্ইচ্ছা আছে, চৰকাৰে আমাৰ আঁচনি বিলাক ৰূপায়ণ কৰাত যথেষ্ট সহায় কৰিছে। সেই বাবে আমাৰ আপত্তি মানি লৈ আঢ়ৈ কোটি টকালৈ বৃদ্ধি কৰিব বুলি আশা কৰিছো।

অধ্যক্ষ মহোদয়, আমাৰ বি. টি. এ. ডি. এলেকা ওদালগুৰিত এটা ইঞ্জিনিয়াৰিং কলেজ হ'ব লাগে। ইয়াৰ বাবে এখন বিল আনিব বুলি অনুৰোধ জনাইছো। ঠিক তেনেকৈ বাক্সা জিলাতো এখন কৃষি বিশ্ববিদ্যালয় কৰিবৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো।

অধ্যক্ষ মহোদয়, অসম চৰকাৰে বি. টি. এ. ডি. ৰ লগত যি চুক্তি কৰিছিল এই বিত্তীয় বৰ্ষতে ৰূপায়ণ কৰিবলৈ অনুৰোধ জনাইছো। এইটো কাৰ্যকৰী কৰাৰ বাবে চৰকাৰক অনুৰোধ জনাইছো। যিবিলাক কেচ হৈছিল, সেই বিলাকৰ সকলোখিনি উইদ্ৰ হোৱা নাই। ইয়াৰ ফলত ল'ৰাবিলাকে ঘৰত শুৱ পৰা নাই। সেইকাৰণে এইটো সমাধা কৰি এটা শান্তিৰ বাতাবৰণ আনিবলৈ মই অনুৰোধ কৰিছো। যদি তাত শান্তি নাথাকে কাম কৰিবলৈ যথেষ্ট অসুবিধা হ'ব।

অধ্যক্ষ মহোদয়, ৰিলিফ এণ্ড ৰিহেবিলিটেশ্বন ডিপাৰ্টমেণ্ট বি. টি. এ. ডি. লৈ হস্তান্তৰ কৰা হোৱা নাই। তাত পোষ্ট ক্ৰিয়েট কৰা নাই। এইক্ষেত্ৰত অসম চৰকাৰৰ পৰা যিমানখিনি পাব লাগে, সিমানখিনি পোৱা হোৱা নাই। সেই কাৰণে মই আশা ৰাখিছো যাতে এই বিভাগটো হস্তান্তৰ কৰাৰ ব্যৱস্থা লয়। বড়োসকলৰ দাবী আছিল যে বড়ো মাধ্যমৰ স্কুলৰ কাৰণে এটা চেপাৰেট ডাইৰেকটৰেট গঠন কৰিব লাগে। এইটো গঠন কৰি আমাৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰিব বুলি আশা কৰিছো। যদিও বাক্সা জিলা গঠন হ'ল, তাত ট্ৰেজাৰী অফিচ নাই। গতিকে মছলপুৰত ট্ৰেজাৰী আফিচ এটা গঠন কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো। ট্ৰেজাৰী অফিচ গঠন কৰি ৰাইজৰ যি সমস্যা আছে, সেই সমস্যা সমাধান কৰিব বুলি মই আশা ৰাখিলো।

মাননীয় অধ্যক্ষ মহোদয় বাক্সা জিলাত এটা ট্ৰেজাৰি অফিচ লাগে। তাত এটা ট্ৰেজাৰী অফিচ নোহোৱা কাৰণে হাজাৰ হাজাৰ কৰ্মচাৰী জনসাধাৰণ অসুবিধাৰ সন্মুখীন হৈছে। গতিকে বাক্সা জিলাৰ মচলপুৰত এটা ট্ৰেজাৰী অফিচ খোলাৰ ব্যৱস্থা কৰিব লাগে। এই ট্ৰেজাৰী অফিচটো হ'লে কৰ্মচাৰী আৰু জনসাধাৰণৰ উপকাৰ হ'ব। অধ্যক্ষ মহোদয়, তাৰ পিছত এই অঞ্চলত বহুতো

হাইস্কুল এম, ই, স্কুল আছে। এইবোৰত বহুতো খালি পদ আছে এই পদ সমূহ পূৰণৰ যিটো ব্যৱস্থা আছে সেইটো কৰিব লাগে। ল'ৰা-ছোৱালীৰ ভৱিষ্যতৰ কাৰণে এই ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় টিহু যদিও মোৰ সমষ্টি নহয় মোৰ সমষ্টিৰ নলবাৰী জিলাৰ অংশৰ ৰাইজৰ টিহুৰ লগত জড়িত। তাৰ ৰাইজে মোক এটা ডিমাণ্ড দিছে তাত এটা চাব ডিভিজন হ'ব লাগে। সেইটো ঘোষণা কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু ইয়াৰ ৰাইজৰ দীৰ্ঘদিনীয়া আশা সেইটো পূৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় আৰু এটা কথা, ৰিভিউ কমিটিবিলাকত কোৱাৰ সুবিধা নহয় কাৰণে মই ইয়াতে ক'বলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, ছিক্স চিডিউল এৰিয়াত পঞ্চায়ত গঠন কৰাৰ কথা কোৱা হৈছে। যিহেতু বি. টি চি.ত ভি.চি.ডি.চি. আছে তাত ভি.চি.ডি.চি. ৰাখিব লাগে কাৰণ ভি.চি.ডি.চি. পঞ্চায়তৰ দৰে। গতিকে অধ্যক্ষ মহোদয় সেইবোৰত পঞ্চায়তী ৰাজ ব্যৱস্থা নকৰি ভি.চি.ডি.চি. কে আইন সংগত কৰি পূৰ্ণভাৱে কৰিব লাগে। গতিকে অধ্যক্ষ মহোদয় মই আৰু বেছি নকওঁ। শেষত এই বাজেটখন এখন সামাজিক উন্নয়ণমূলক বাজেট হৈছে, এখন ভাল বাজেট হৈছে ; এইখিনিকে কৈ মই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ এতিয়া শ্ৰীদ্ৰুপদ বৰগোহাঁয়ে ক'ব—**

* **শ্ৰীদ্ৰুপদ বৰগোহাঁই ঃ** মাননীয় অধ্যক্ষ মহোদয় ইতিমধ্যে বাজেটৰ ওপৰত ভালেখিনি আলোচনা হৈছে আৰু এই বাজেট উৎস্থাপন কৰোতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে আৰু ইয়াত লিখাও আছে যে এইখন এখন ঘাটি বাজেট। গতিকে অধ্যক্ষ মহোদয় অপেনিং ডেফিছিত আৰু বৰ্তমানৰ ডেফিছিত দুয়োটা লগ লাগি

* Speech not corrected

৯৩৩৭.৬৯ কোটি টকা আৰু ৰিৰ্জাভ বেংকৰ পৰা ৪৭২২.৫৭ কোটি টকা উলিওৱাৰ কাৰণে কমি গৈ ৪৬১৫.১১ কোটি টকা ঘাটি হ'লগৈ। ঘাটি বাজেট এখন ৰাজ্যৰ কাৰণে সুবিধাজনক নহয়। এই ঘাটি বাজেটখন পুৰাব লাগিলে টেক্স লগাব লাগিব নতুৱা ধাৰ ল'ব লগা হয়। আচলতে এই ঘাটি বাজেটৰ প্ৰভাৱটো আমাৰ জনসাধাৰণৰ ওপৰতে পৰে। জনসাধাৰণৰ ওপৰত এটা বিৰাট বোজা হয়। ঘাটি বাজেটৰ সুফল যিমান কু-ফলো সিমান। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ধাৰ ল'ব লাগে আৰু ব্যক্তিগত জীৱনতো ধাৰ লওঁ। ৰাজহুৱা ক্ষেত্ৰতো ধাৰ লোৱা হয়। আমাৰ চৰকাৰে বিভিন্ন ধৰণে ধাৰ লৈছে। ওৱাৰ্ল্ড বেংকৰ পৰা ধাৰ লৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই কথাখিনি স্পষ্ট ভাবে কৈছে যে— ধাৰ ল'লে ধাৰ মাৰিবও লাগে। ধাৰ মাৰি নগলে ধাৰ বাঢ়ি যায়। ধাৰ বাঢি গ'লে বহুত অসুবিধা হয়। বাজেটত ডেবট্ চাৰ্ভিচিংত ৩১৬৬ কোটি দেখুওৱা হৈছে। এইটো টেবুল টুত দেখুওৱা হৈছে। ইয়াত পাৱাৰত ৪৭২ কোটি টকা ইৰিগেচন আৰু ফ্লাড কণ্ট্ৰোলত ১৯৬৬ টকা, ক্ৰপ হাচবেণ্ড্ৰাইত ৫১৩ কোটি টকা, ইণ্ডাষ্ট্ৰি এণ্ড মিনাৰেলচ্ত ৪২১ কোটি টকা, চোচিয়েল ওৱেলফেয়াৰ আৰু নাট্ৰিচনত ১৯৯৪ কোটি টকা, হেল্থ এণ্ড ফেমিলি ওৱেলফেয়াৰত ১৬২৮ কোটি টকা, ৰোডচ্ ব্ৰীজ এণ্ড ট্ৰেনচ্পোৰ্টত ১৪৬৬ কোটি টকা, পুলিচ এণ্ড হোম গাৰ্ডচত ১৪৯৭ কোটি টকা, ৰিপেমেণ্ট এণ্ড ওৱেজ এণ্ড মীনচ্ এডভাঞ্চত ৬০ কোটি টকা, ডেবট চাৰ্ভিচিংত ৩১৬৬ কোটি টকা, এডুকেচন, স্পোৰ্টচ্, এণ্ড কালচাৰত ৪৮১০ কোটি টকা দেখুওৱা হৈছে। তাৰ মানে ধাৰ মাৰোতে ৩১৬৬ কোটি টকা গৈছে। এই বছৰত যদি আৰু ধাৰ লগোৱা হয় তেতিয়া হ'লে অহা বছৰত ৪/৫ হাজাৰ কোটি টকা ধাৰ বাঢ়ি যাব। অৱশেষত

বিভাগবিলাকত খৰচ কৰিবলৈ পইচা নেথাকিব। বাজেটখন আটাইতকৈ দুৰ্বল বাজেট হৈছে। চৰকাৰে এই কথাটো লক্ষ্য কৰা উচিত। আজি সদনত মাননীয় যোগান মন্ত্ৰী আছে। বস্তুৰ দামৰ সম্পৰ্কত আজি কেইদিন মান আগতে সদনত আলোচনা হৈছিল। তেতিয়া আলুগুটিৰ দাম আছিল ১৬ টকা প্ৰতি কেজিত আৰু প্ৰতি লিটাৰ মিঠাতেলৰ মূল্য আছিল ৬০ টকা। কিন্তু তাৰ পিছদিনাই আলুগুটিৰ দাম হ'ল প্ৰতি কেজিত ১৮ টকা আৰু মিঠাতেলৰ দাম হ'ল প্ৰতি লিটাৰত ৬০ টকাৰ ওপৰ। ইয়াৰ পৰা আমি দেখিবলৈ পাইছো যে বাজেট খনত বেয়া এফেক্ট আৰম্ভ হৈছে। চাৰিও ফালে বস্তুৰ দাম বাঢ়িছে। যোগান মন্ত্ৰী মহোদয়ে পেপু লৈ বজাৰলৈ যাব নোৱাৰে। গতিকে তেখেতে যদি ছদ্ম বেশত বজাৰলৈ যায় তেতিয়া গম পাব বজাৰত কেনেদৰে বস্তুৰ মূল্য বাঢ়িছে। গতিকে বাজেটখন উৎথাপন কৰাৰ লগে লগে এনেকুৱা অসুবিধাৰ সৃষ্টি হৈছে। ৰোড্‌চ এণ্ড ব্ৰীজ আৰু ট্ৰেনচ্‌পোৰ্টকে ধৰি বিভিন্ন বিভাগত পইচা কমি আহিছে। ৰোডচ্‌ এণ্ড ব্ৰীজ আৰু ট্ৰেনচ্‌পোৰ্টত মাত্ৰ ১৪৬৬ কোটি টকাহে ধৰিছে। এই টকা কম হৈছে। মই তেখেতক আৰু এটা কথা ক'ব বিচাৰিছো যে চেণ্ট্ৰেল গৰ্ভনমেণ্টৰ পৰা যথেষ্ট টকা পাইছে সেইটো সঁচা কথা। কিন্তু কামখিনি সঠিকভাবে হৈছে নে নাই সেইটো ভালধৰণে চাব লাগিব। পি. এম. জি. এচ. ওৱাই. ত যিখিনি ৰাস্তা বনাইছিল সেই ৰাস্তাখিনি এবছৰ পিছতেই ভাঙিবলৈ আৰম্ভ কৰিছে। এফালৰ পৰা সেই আঁচনিত ৰাস্তা বনাই গৈ থকা হৈছে আৰু কিছু দিন পিছতেই সেই ৰাস্তাবিলাক ভাঙি গৈ আছে। গতিকে সেই ৰাস্তাবিলাক মেৰামতি কৰাৰ কাৰণে আৰু বেছি টকা এই বিভাগত খৰচ হ'ব। কিন্তু সেই টকাখিনি ক'ৰ পৰা আহিব সেইটো কথা ভাবিব লাগিব। বোৰ্ডাৰ বিভাগ

এটা গুৰুত্বপূৰ্ণ বিভাগ। যোৱাকালিও মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই এই বিভাগৰ বিষয়ে আলোচনা কৰিছিল। কিন্তু এই বিভাগত মাত্ৰ ৪০ কোটি টকাহে ধৰিছে। বোৰ্ডাৰ ছীল কৰিবলৈ, তাত পুলিচ ফোৰ্চ দিবলৈ আৰু অন্যান্য কামৰ কাৰণে টকাৰ সংখ্যাটো বঢ়াব লাগে। ঠিক তেনেকৈ অন্যান্য বিভাগৰ ক্ষেত্ৰতো টকাৰ সংখ্যাটো বঢ়াই দিব লাগে। বাজেটখনত যিটো খৰচ দেখুৱাইছে সেইটো সঠিকভাবে যাতে ৰিভাইচ্ কৰা হয় আৰু ঘাটি বাজেট কমোৱাৰ কাৰণে অনুৰোধ কৰিলো। বস্তুৰ দাম ইমানেই বাঢ়িছে যে সাধাৰণ মানুহে বস্তু কিনিব নোৱাৰা হৈছে। মন্ত্ৰী সকলে বজাৰলৈ পেপু লৈ যাব নোৱাৰে। গতিকে তেখেতসকলে এই কথা বিলাক লক্ষ্য কৰি ব্যৱস্থা ল'ব বুলি আশা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়ে মোক অলপ সময় বেচিকৈ ক'বলৈ দিয়াৰ কাৰণে তেখেতক ধন্যবাদ জনাই মোৰ বক্তব্য ইমানতেই সামৰণি মাৰিলো।

**শ্ৰীআনোয়াৰুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়, বাজেট আলোচনায় আমাকে সুযোগ দেওয়ায় আপনাকে ধন্যবাদ। বিত্তমন্ত্ৰীয়ে দায়িত্বে থাকা মাননীয় মুখ্যমন্ত্ৰী ২০০৯-২০১০ সালের যে বাজেট সদনে পেশ করেছেন তাহা একটি চমক সৃষ্টিকারী হতাশাপূৰ্ণ দিসাহীন বাজেট। একদিকে মুখ্যমন্ত্ৰী দিল্লী শ্ৰীমতী শীলা দিক্ষিত ও উরিষ্যার মুখ্যমন্ত্ৰী শ্ৰীনবীন পট্টনায়কের মত আসামেও হেট্ৰিক করার মনবাসনা ও অন্যদিকে বিগত লোকসভা নির্বাচনে সরকারের দলিয় স্থিতি ৯ টি আসন যেকে ৭টি এসে য়াওয়ায় দরুণ বিপাকে সম্মানীয় মুখ্যমন্ত্ৰী একটি হতাশাপূৰ্ণ বাজেট উপস্থাপিত করেছেন।

এখানে বলতে গেলে— বরাক উপত্যাকাবাসী তথা দক্ষিণ আসামের মানুষের প্রতি দারুণ আঘাত এই বাজেট উপহার

দিয়েছেন। লামডিং- বদরপুর রেললাইন ব্রডগ্রেইজে রূপান্তরের জন্য কেন্দ্রিয় রেল বাজেট টাকা বরাদ্দ করা হ'লেও নিরাপত্তার অভাবজনিত কারণে এই কাজ কতটুকু অগ্রসর হ'বে তা এক বিরাট প্রশ্নচিহ্নের মুখে। বড়াইলের অসান্ত পরিস্থিতি আয়ত্তে আনতে না পারলে কেন্দ্রের টাকা মঞ্জুরী অধরা থেকে যাবে। দুঃখের সঙ্গে লক্ষ্য করছি ত্রিপুরা রাজ্য ও জঙ্গী উপদ্রুত এলাকা, অথচ সেখানকার মুখ্যমন্ত্রীর সদিচ্ছা আছে বলেই আজ রেললাইন হয়েছে ও ট্রেন চলছে। কিন্তু আমাদের বেলায় উত্তর কাছারে মাত্র ১২০/১৩০ টা যুবকের কাছে একটি নির্বাচিত সরকার হার যেনে বসে আছে। স্বভাবতই সরকারের আমাদের সরকার হার যেনে বসে আছে। স্বাভাবতই সরকারের আমাদের সদিচ্ছার পরিলক্ষিত হচ্ছে এবং বলতে দ্বিধা নেই যে আমাদের মুখ্যমন্ত্রী বিভিন্ন সময়ে নিরাপত্তার কথা বললেও আমরা লক্ষ্য করি যে নিরাপত্তা প্রদানে সরকারের সদিচ্ছার অভাব থেকে যায়। পাহাড় লাইনে রীতিমত ট্রেন না চলায় বরাক উপত্যকা, ত্রিপুরা, মিজোরাম প্রভৃতি অঞ্চলে দ্রব্যমূল্যের আকাঁশ ছোয়া দাম আর জনতার নাগালের বাহিরে চলে গেছে। নিরাপত্তা ব্যৱস্থা নিয়ে গঁগে সরকারের উদাসীন ভূমিকা ও মনোভাব বরাকের আমজনতার দুটো স্বপ্নের প্রকল্পকে অনিশ্চতার মধ্যে ফেলে দিয়েছে। নিরাপত্তাজনিত অভাবের জন্যই তো মহাসড়কের প্রকল্প থেকে হাত গুটিয়ে নিল চারটি নির্মান সংস্থা। মাননীয় মুখ্যমন্ত্রী মহোদয়, — ব্রডগজ ও মহাসড়ক রূপায়নে একটু সদর্থক ভূমিকা নিন। দূর করুশ বরাকের কান্না।

অধ্যক্ষ মহোদয়, আমি লক্ষ্য করছি বাজেটে বিভিন্ন এলাকা তথা জনগুষ্টির সর্বাঙ্গীণ উন্নয়নের জন্য টাকা বরাদ্দ করা হয়েছে। অর্থ সামাজিক উন্নয়নেৰ জন্য বিভিন্ন পরিকল্পনা নিয়েছেন। বিভিন্ন

উন্নয়ন তহবিল ঘোষণা করা হয়েছে। আমি এই সুযোগে বরাক উপত্যকার প্রায় চারি লক্ষাধিক মুসলিম মৎস্যজীৱি মাইমাল অর্থাৎ মাছমরিয়াদের কথা মাননীয় অধ্যক্ষা মহোদয় আমাদের মাধ্যমে মাননীয় মুখ্যমন্ত্রী কৃপাদৃষ্টি কামনা করছি। নদীও নালার পার্শবর্ত্তীতে অবস্থানরত এই লোকদের জন্য একটা কিছু করা দরকার। সমাজের একটা অংশ দূর্বল হয়ে পড়ে থাকলে আমাদের স্বপ্নের স্বাধীনতা প্রকৃত অর্থে পূর্ণ স্বাধীনতা হতে পারে না। অত্যন্ত অসহায় ও দূর্বল এই মাইমাল সম্প্রদায়ের জন্য একটি উন্ময়ন পরিষদ গঠন করার দাবী এই সম্রদায়ের লোকেরা প্রয়াত প্রধান মন্ত্রী রাজীব গান্ধীকেও স্মরণ করে দিয়েছিল। আজ রাজীৱ গান্ধী জীবিত থাকলে হয়তো এই সম্প্রদায় কিছু একটা আশা কবতে পারতো। যেহেতু রাজীৱ গান্ধী অত্যন্ত আন্তরীকতার সহিত এই সম্প্রদায়ের মানুষের দাবীটা বুঝে নিয়েছিলেন।

বরাক উপত্যকা একটি কৃষিপ্রধান অঞ্চল। বিগত বাজেটে এমনকি এবারও ধবড়ীতে একটি কৃষি বিদ্যালয় স্থাপনের প্রস্তাৱ আছে। বরাক উপত্যকার করিমগঞ্জ জেলার আকবর পুরে একটি কৃষি রিচার্চ সেণ্টার আছে। এবং প্রচুর জমি ও আছে। জনতার স্বার্থে করিমগঞ্জে একটা কৃষি মহাবিদ্যালয় স্থাপনের জুরালো দাবী আপনার মাধ্যমে তুলে ধরলাম। মাননীয় অধ্যক্ষ মহোদয়, অনেক কিছু বলার ছিল। সময়ের অভাব হেতু বলা যাচ্ছে না। তবে বর্তমান বাজারে যে দ্রব্যমূল্য তা সম্পূর্ণভাবে সরকারের নিয়ন্ত্রণের বাহিরে চলে গেছে। সরকার ও ব্যৱসায়ীদের অবৈধ বুঝাপড়া আছে বলেই সরকারের বাজারের জিনিসের দামের উপর কোন কর্ত্তৃত্ব নাই। এহেন অবস্থায় সরকার সম্পূর্ণ ব্যর্থ বলে আমি মনে করি। সঠিক ব্যৱস্থা না নিলে মানুষ অসহায় ও অনাহারে মরতে বাধ্য হ'বে।

অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্যমন্ত্রী সদনে নাই। তবুও আপনার মাধ্যমে স্বাস্থ্যমন্ত্রীকে জানাতে চাই আমার নির্বাচন কেন্দ্রে শ্রীগৌরী C.H.C তে কিছুদিন পূর্বে আমি গিয়েছিলাম। সেখানে দেখতে পেলাম হাসপাতালের একটি হাল। এক কোনায় প্রসূতি মা তাদের নবজাত শিশুকে নিয়ে অৱস্থান করছেন। আর ঐ একই কোঠায় অন্য দিকে পুৰুষ রোগীরা অৱস্থান করছেন। একই রুমে অথচ কাপড় দিয়ে কোন পর্দ্দারও ব্যৱস্থা নাই। মাননীয় স্বাস্থ্যমন্ত্রীর স্বাস্থ্যবিভাগের এই হাল।

পরিশেষে বরাক উপত্যকার বিভিন্ন সমস্যাদির মোকাবিলা করার জন্য সরকারের দৃষ্টি আকর্ষণ করে আমার আলোচনা এখানেই শেষ করলাম।

* **শ্ৰীজগত সিং ইংতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ বাজেটত মেডিকেল কলেজ, ইঞ্জিনীয়াৰিং কলেজ আদি বনোৱাৰ কথা উল্লেখ কৰিছে। সেইটো ভাল কথা হৈছে। কিন্তু মই এটা কথা ক'ব বিচাৰিছো যে ডিফু পলিটেকনিক বনাওতে বনাওতে ২৫ বছৰ লাগি গৈছে আৰু আজিও ক্লাচ আৰম্ভ কৰিব পৰা নাই। সেইকাৰণে মই ক'ব বিচাৰিছো মেডিকেল কলেজ হওঁতে বা কিমান বছৰ লাগে। তথাপি মেডিকেল কলেজ বনোৱাৰ প্ৰস্তাৱ দিয়াৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছো। মই এইখিনিতে এটা কথা ক'ব বিচাৰিছো। সেইটো হৈছে কাৰ্বিসকলৰ কাৰণে আৰ্মি কাৰ্বি ডেভেলপমেণ্ট কাউঞ্চিল এখন কৰাৰ কথা বাজেটত উল্লেখ কৰিছে. ভৈয়ামত বসবাস কৰা কাৰ্বি সকলৰকাৰণে এই ব্যৱস্থা লোৱা হৈছে। ইয়াত এটা সংশোধন কৰিবলগীয়া আছে। সেইটো হৈছে এই আৰ্মি শব্দটো উঠাই দিব লাগে।

অধ্যক্ষ মহোদয়, আজি এন চি হিলচ্‌ৰ অৱস্থা বেয়া। তাত

---

* Speech not corrected

মানুহ মৰি আছে। ঘৰ জ্বলি আছে। কিন্তু এই বিশেষ বিষয়টো সদনত যি ভাৱে আলোচনা হ'ব লাগিছিল সেই ধৰণে নহ'ল। আমি বিচৰা ধৰণে আলোচনা কৰিবলৈ আমি নাপালো। বিভিন্ন কাৰণ দেখুৱাই আলোচনা হ'বলৈ নিদিলে। কিন্তু যদি সদনত বিষয়টো ভাল ধৰণে আলোচনা হ'বলৈ দিলেহেঁতেন তেন্তে আমি জানিব পাৰিলোহেঁতেন আচলতে এন চি হিলচ্‌ত কি কি ঘটি আছে আৰু চৰকাৰে সেইক্ষেত্ৰত কি কি ষ্টেপ লৈছে। সেয়ে আমি এতিয়া তাত চৰকাৰৰ ফালৰ পৰা কি কি ষ্টেপ লৈছে আমি নাজানো। ঘৰ কিন্তু আজিও জ্বলি আছে। মানুহ আজিও মৰি আছে। লগতে আৰু এটা কথা হ'ল যে এন চি হিলচ্‌ৰ অটনমাচ কাউঞ্চিলখন ভঙ্গ কৰি দিয়া হ'ল কাৰণ তাৰ চি. এম. জনক এৰেষ্ট কৰা হ'ল। সেয়ে তেখেতক এৰেষ্টে কৰাৰ পিছত কাউন্সিলখন নিলম্বন কৰি দিয়া হ'ল। কিন্তু আমাৰ দেশত গণতন্ত্ৰৰ পদ্ধতি চলি আছে বা গণতান্ত্ৰিক ব্যৱস্থা চলি আছে। অলপ দিনৰ আগতে ৰিপুন বৰা আগতে যেতিয়া চৰকাৰৰ মন্ত্ৰী আছিল তেখেতক এৰেষ্ট কৰা হৈছিল তেতিয়া কিন্তু চৰকাৰখন ভঙ্গ কৰি দিয়া হোৱা নাছিল। সেই কাৰণে কওঁ এন চি হিলচ্‌ৰ চি. এম. জনক এৰেষ্ট কৰিছে যদিও তাত মেম্বাৰবিলাক আছে। সেইসকলক এটা সুবিধা দিব লাগিছিল। আইনে কি কয় সেইটো চাব লাগিছিল। আৰু সদস্যসকলক নিৰ্বাচন নতুনকৈ কৰি ল'বলৈ এটা সুযোগ দিব লাগিছিল। কিন্তু সেই সুযোগ তেওঁলোকক নিদিলে। এন চি হিলচ্‌ত গণতন্ত্ৰক মাৰ্ডাৰ কৰিলে বুলি আজি আমি ক'ব পাৰো। আজিও মেম্বাৰবিলাকে ভয় খাই আছে কিজানি কি হ'ব চৰকাৰে বা আকৌ কি কৰে? এইদৰে ভয়ত দিন কটাইছে তেওঁলোকে। সেইকাৰণে মই কৈছো যে সদনত যদি বিষয়টো ডিটেইলচ্ ভাৱে আলোচনা কৰিব লাগিছিল। সেয়ে আমি জানিব

বিচাৰিছো এন চি হিলচ্‌ত নতুকৈ চি এম এজন নিৰ্বাচন কৰিবলৈ সুযোগ দিয়া নহ'ল কিয়? আজিও তাত ঘৰ জ্বলি আছে। মানুহ মৰি আছে কিয়? আমি চেণ্টিনেল কাকতত পাইছিলো এতিয়া জুডিচিয়েৰীৰ কাষ্টডিত আনিবৰ কাৰণে আৰু কাষ্টমেৰী ল' ৰিফ্লেক্ট কৰিবৰ কাৰণে আইনশৃঙ্খলাৰ পৰিস্থিতিৰ মোকাবিলা কৰিবৰ কাৰণে ষষ্ঠ অনুসূচীত এখন আইন কৰাৰ কথা কৈছে। আমি বুজা নাই চৰকাৰে আচলতে কি কৰিব বিচাৰিছে। আমাৰ ডিমাছা আৰু কাৰ্বিসকলৰ একেবাৰে শেষ কৰিবলৈ ইনটেনশ্যন আছে নেকি? চৰকাৰৰ পৰা আমি এইটো স্পষ্টভাৱে জানিব বিচাৰিছো কি ধৰণে কি কৰিব বিচাৰিছে? কাৰণ আজি সকলোৱে একেমুখে স্বীকাৰ কৰিব যে কাৰ্বি আংলং আৰু ডিমাছা সকলৰ অৱস্থা বেয়া। আজি চৰকাৰে এটা গ্ৰুপৰ লগত আলোচনাত বহিছে তেতিয়া আন আন গ্ৰুপ যেনে এন এল এফ আদিৰ লগত কিয় বহিব নোৱাৰে? ডি এইচ ডি (জে এচ) গ্ৰুপক চীজফায়াৰ কৰাই আলোচনাৰ বাবে মাতিছে তেতিয়া হ'লে আমাৰ কে এন এল এফৰ লগত নকৰে কিয়? কাৰণ কিয়? তাৰ মানে চৰকাৰে গণ্ডগোলবোৰ হৈ থকাটো বিচাৰিছে নেকি? কাৰণ আনকি আলফাৰ লগতো স্বাধীন ৰাষ্ট্ৰৰ কথা বাদ দি আলোচনা কৰিবলৈ আগ্ৰহ বুলি কোৱা হৈছে তেন্তে কাৰ্বিৰ আৰু ডিমাছা সকলৰ সকলো গ্ৰুপৰে মাতি আলোচনা কৰিব নোৱাৰে কিয়? কাৰণ তেওঁলোকে কোনেওটো স্বাধীন ৰাষ্ট্ৰ বিচৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় ইংতি ডাঙৰীয়া আপুনি চুটি কৰি শেষ কৰক সময় কম।

* **শ্ৰীজগত সিং ইংতি ঃ** সেই কাৰণেই মই কৈছো কাৰ্বি পাহাৰত শান্তি ঘূৰাই আনি স্বাভাৱিক অৱস্থা কৰিবলৈ আৰু এন চি হিলচ্‌তো স্বাভাৱিক

* Speech not corrected

অৱস্থা ঘূৰাই আনিবলৈ বিশেষ ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ মই সামৰণি মাৰিলো।

* শ্ৰীভূবন পেগু ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিধায়ক কুশল দুৱৰী আৰু জিতেন গগৈ দেৱৰ অংশৰ সময়খিনিও ক'বলৈ অনুমতি বিচাৰিছিলো। নিৰ্দ্দলীয় বিধায়ক হিচাপে মই ক'ব পাৰোনে?

মাননীয় অধ্যক্ষ ঃ বিধায়ক জিতেন গগৈৰ সময়ৰ বাবে অনুৰোধ কৰা কাগজপাতি মই পোৱা নাই।

* শ্ৰীভূবন পেগু ঃ মই আজি এটা বস্তু ক'ব বিচাৰিছো অসম চৰকাৰৰ 'ইকন'মিক চাৰ্ভে অৱ আসাম' এই বুলি—

As per Economic survey of Assam, 2008-2009, in 2007-2008, the flood havoc caused death of 42 persons, affecting 66,89,506 people in 5988 villages causing 69 breaches of dykes of the water Resource Department, damaging 1112 numbers of PWD roads. 605 numbers semi permanent timber bridge approaches, 105 numbers of semi permanent bridges, 62 numbers major bridges on PWD roads and damage to 53 numbers of water supply schemes, 6827 drinking water spot, sources of public health engineering department etc. through out the state. The total area affected by flood during the said year was 8,81,877 hectares, out of which 3,59, 695 hectares was agricultural land, thereby affecting the livelihood and gainful employment of the people. Last year, the total damage for the flood of Assam was Rs. 1444.24 crores. So far 2534 willages have been eroded affecting more than 90 thousand families.

---

* Speech not corrected

চাৰ্জে ৰিপৰ্টত কৈছে যে ১৫ কোটি টকা বিভাগটোলৈ ধাৰ্য্য কৰা হৈছে। এনেকুৱা এটা গুৰুত্বপূৰ্ণ বিষয় এইটো কিন্তু সদনত সকলোৱে হয়তো এইটো স্বীকাৰ কৰিব যে সময় মতে কাম আৰম্ভ নকৰাৰ কাৰণে এই বস্তুটো ধ্বংস হৈছে। আৰু আঁচনি বিলাকো ব্যৰ্থ হৈছে। যোৱা বছৰ এই ক্ষেত্ৰত ১৪২ কোটি টকা দিছিল। এইটো এটা ৰেকৰ্ড কাৰণ ১৫০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰাৰ কাৰণে আজি ৩০ কোটি টকা দিছে। আজি সময়মতে কাম আৰম্ভ নকৰাৰ কাৰণে আজি মাতমৰা মথাউৰি উঠাই লৈ গ'ল।

মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰ আৰু অসমৰ সকলোৱাইজে এইটো স্বীকাৰ কৰিব লাগিব যে প্ৰত্যেক বছৰে এপ্ৰিল মাহৰ পিছত ফ্লাড ৰিলেটেড কাম বিলাক আৰম্ভ কৰা কাৰণে অসমত বান নিয়ন্ত্ৰণত সফল হ'ব পৰা নাই। এই কথাটো সকলোৱে স্বীকাৰ কৰি লৈছে। নবেম্বৰ ডিচেম্বৰ মাহত বাননিয়ন্ত্ৰণ বা অন্যান্য বানপানীৰ লগত জড়িত কাম বিলাক আৰম্ভ কৰাৰ কাৰণে কিয় স্পেচিয়েল পলিচি বা আঁচনি লোৱা নাই। এইটো অসম চৰকাৰেও স্বীকাৰ কৰিছে আৰু সেই কাৰণে সম্ভৱতঃ শ্ৰীভৰত নৰহ ডাঙৰীয়াক বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰীৰ পৰা আতৰাই শ্ৰীপৃথিবী মাঝি ডাঙৰীয়াক দিছে। মন্ত্ৰীত্বৰ সলনি কৰিলেই সমস্যা সমাধান হ'ব বুলি আমি নাভাবো। আচলতে সময়মতেহে কাম কৰিব লাগিব। নবেম্বৰ ডিচেম্বৰত কাম কৰাৰ কাৰণে নতুন পলিচি এটা কৰিব লাগিব। আজি অসম চৰকাৰৰ বিফলতা এইখিনি নকৰা কাৰণেই আজি গড়কাপ্তানি বিভাগ, কৃষি বিভাগ জনস্বাস্থ্য আদি বিভাগত কোটি কোটি টকা খৰচ কৰিছে. কিন্তু কাম কৰাৰ পিছত বানপানীয়ে উটুৱাই নিছে। সেই কাৰণে মই বাৰে বাৰে কৈছো যে কাম কৰাৰ পলিচি সলনি কৰিব লাগিব। কাৰিকৰী কাৰণতে এপ্ৰিল মাহত কাম আৰম্ভ কৰিব লাগে। কামৰ

চিজন সলনি কৰাৰ কাৰণে স্পেচিয়েল পলিচি কিয় নকৰে। মই এই কথা এই কাৰণে কৈছো যে পলিচি সলনি নকৰিলে এইবছৰো ধ্বংস হ'ব আৰু অহা বছৰো ধ্বংসলীলা হ'ব। সময়মতে কাম আৰম্ভ নকৰা কাৰণে এইবিলাক হ'বলৈ পাইছে। অসম চৰকাৰৰ এই বাজেটত ৰহুটো লোকোনা আছে। বাৰিষা পানীৰ কাৰণে খেতি-বাতি নোহোৱা কাৰণে সেইখিনি মানুহে হাজিৰা কৰিবলগীয়া হৈছে। যোৱা বছৰ অসম চৰকাৰে ঘোষণা কৰিছিল যে প্ৰত্যেককে ১০০ দিনৰ কাম দিয়া হ'ব। কিন্তু এতিয়া দেখা গৈছে যে ৰাইজে ১০০ দিনৰ হাজিৰা পোৱা নাই। এতিয়া সমষ্টিত আমাৰ ৰাইজে সোধে যে এশ দিনৰ হাজিৰা ক'ত? আজি এতিয়া কি কম? অসম চৰকাৰে দৈনিক হাজিৰা ৭০-৮০ টকা দিছে। আনহাতে আমি যদি এজন মানুহক কামত লগাও তেতিয়াহ'লে দৈনিক ১৫০ টকাৰ পৰা ২০০ টকা পৰ্যন্ত লাগে। I propose to increase the rate of wages of ENREGA from Rs 80/- to 100/-. What hapened in this budget, nothing has been mentioned here. এতিয়া কথা হ'ল চৰকাৰে এইবিলাক মিছা প্ৰচাৰ কৰিছিল নেকি? বাজেটত চৰকাৰৰ ভাল ভাল কথাবিলাক ৰাইজে শুনিব আৰু আমি অহা বছৰো ৰাইজৰ গালি খাব লাগিব। এশ দিনৰ কাম দিব বুলি কিয় দিয়া নাই? আনহাতে অন্য ৰাজ্যত দৈনিক ১৫০ টকাৰ পৰা ৩০০ টকা পৰ্যন্ত হাজিৰা। কি কাৰণত আমাৰ অসমত কৰিব পৰা নাই? এই কথা বিলাক এইবাৰ বাজেটত উল্লেখ নাই। বাজেটত এইবিলাক মাইনাচ পইণ্ট।

মাননীয় অধ্যক্ষ মহোদয়, এনেকৈ চলি থাকিলে এইবছৰ আমি ৰাইজক কি কম। কাৰণ এই বিষয়ত বাজেটত কোনো কথা উল্লেখ নাই। আনহাতে চৰকাৰে আৰক্ষীক আধুনিকীকৰণ কৰাৰ

কথা কৈছে— Assam has now became police state। এই বিলাক দৈনন্দিন ঘটনা বুলি কৈছে। উগ্ৰপন্থীৰ নামত নিৰীহ যুৱকক হাৰাশাস্তি দিয়া হৈছে। এতিয়া অসমৰ যুৱকে উগ্ৰপন্থীতকৈ আৰক্ষী মিলিটাৰীকহে বেচি ভয় কৰা হৈছে। অধ্যক্ষ মহোদয়, মোৰ নিচিনা এজন ৰাইজৰ প্ৰতিনিধিক ৰাতি দুই বজাত পুলিচে যদি নটিচ দিব পাৰে তেতিয়া হ'লে সাধাৰণ মানুহৰ অৱস্থা কি হ'ব? আনহাতে মোৰ পি. এচ. অ'. ক উইড্ৰ কৰিব পাৰে নেকি? মই মাননীয় মুখ্যমন্ত্ৰীক এই বিষয়ত অৱগত কৰোতে ক'লে এইটো সাধাৰণ বিষয়। এন, চি, হিলচ্‌ত মানুহ মাৰিছে তাতো মাতোতা কোনো নাই। তাতো নিৰীহ যুৱকক উগ্ৰপন্থী সজাইছে। নগালেণ্ডৰ এন, এচ, চি, এনৰ লগত যদি বাহিৰত আলোচনা হ'ব পাৰে তেতিয়াহ'লে অসমৰ আলফাৰ ক্ষেত্ৰত কিয় এইটো কৰিব নোৱাৰে।

আলফাই শক্তিশালী হ'লেহে কথা পাতিব, নহ'লে নাপাতে এনেকুৱা চিগনেল ভাৰত চৰকাৰ দিছে নেকি? আৰক্ষীক আধুনিকীকৰণ কৰি ৰাজ্যখনক ৰক্ষা কৰিব পাৰিব বুলি মই নাভাবো। কাৰণ ইজৰাইলত সমস্যা কৰিব পাৰিছিল।

শেষত মই এটা কথা ক'ব বিচাৰিছো ট্ৰাইবেল কাউঞ্চিল সম্পৰ্কত। ট্ৰাইবেল কাউঞ্চিলত চৰকাৰে টকা দিয়া বুলি কৈছে। চৰকাৰে মিচিং ৰাভা আদি অটোন'মাচ কাউঞ্চিল সৃষ্টি কৰিছে। এইবিলাকৰ কি গেৰাণ্টি আছে। ভঙা পতা চলি আছে। প্ৰত্যেকটো চৰকাৰে ভঙা পতা কৰি আছে। এনেকৈ পোন্ধৰ বছৰ ধৰি চলি আছে। এইবাৰ মিছিং অটোন'মাচ কাউঞ্চিলৰ নিৰ্বাচন হ'ব বুলি কৈছে। ট্ৰাইবেলৰ কাৰণে অসম চৰকাৰে ঘোৰ অন্যায় কৰিছে। ট্ৰাইবেলৰ কাৰণে থকা পঞ্চাশ টা পদ ডি-ৰিজৰ্ভেচন কৰি জেনেৰেল কেটাগৰীৰ মানুহক প্ৰমোচন দিছে। আনহাতে আমি

বেক লগ পূৰণৰ দাবী কৰি আহিছো। শেষত ট্ৰাইবেলৰ কাৰণে পলিচি, ৰাজ্যৰ আইন শৃঙ্খলা, বান নিয়ন্ত্ৰণ আদি ঠিকমতে কৰিলেহে অসমৰ অৰ্থনৈতিক অৱস্থা ভাল হ'ব আৰু দুখীয়া আৰু কৃষক ৰাইজৰ উপকাৰ আহিব। ইয়াকে কৈ মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীদুৰ্গা ভূমিজ ঃ মাননীয় অধ্যক্ষ মহোদয়। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া ২০০৯-২০১০ ৰ যিখন বাজেট বিধান সভাৰ মজিয়াত দাঙি ধৰিলে এই বাজেটখনক মই পূৰ্ণ সমৰ্থন জনাইছো। এই বাজেটখনৰ যোগেদি অসমৰ সকলো শ্ৰেণীৰ ৰাইজ উপকৃত হ'ব। অসমৰ উন্নতি হ'ব। বাজেটখনত অসমৰ সকলো জনগোষ্ঠীক সামৰি লোৱা হৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ চৰকাৰে তিনি-চাৰিটা জনগোষ্ঠীক স্বায়ত্বশাসন প্ৰদান কৰিছে। এইখিনিতে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। অধ্যক্ষ ডাঙৰীয়া, এই বাজেটখনত মই কেইটামান কথা অন্তৰ্ভূক্ত কৰিব খুজিছো। অন্তৰ্ভূক্ত কৰাৰ পূৰ্বে আৰু দুটামান কথা উল্লেখ কৰিব বিচাৰিছো। মুখ্যমন্ত্ৰী মহোদয়ে গ্ৰাম্য অঞ্চল, নগৰ অঞ্চলৰ দ্ৰুত গতি উন্নয়ণ বিচাৰিছে। উদাহৰণ স্বৰূপে— জীৱন জ্যোতি আঁচনি, বয়ন জ্যোতি আঁচনি, বীমা আঁচনি, কৃষি ঋণ, অবিবাহিত মহিলাৰ কাৰণে বিশেষ আঁচনি, বিশ বছৰ অতিক্ৰম কৰি বিবাহিত হোৱা মহিলাক দহ হেজাৰ টকাৰ আৰ্থিক সাহায্য, দৃষ্টিহীন সকলৰ বাবে বিশেষ আঁচনি, এইদৰে অসম বিকাশ আঁচনিৰ যোগেদি আৰু বহু আঁচনি গ্ৰহণ কৰিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসমৰ চাহজনগোষ্ঠীৰ উন্নয়নৰ বাবে সৰ্বাধিক পুজিঁৰ লগতে ধনৰ আৱণ্টন প্ৰদান কৰিব লাগিব। তেতিয়াহে জনগোষ্ঠীটোৰ উন্নয়ন সম্ভৱ হ'ব। অধ্যক্ষ ডাঙৰীয়া, আপুনি আচৰিত হ'ব যে ২০০৬-২০০৭ চনত দহ কোটি টকা, ২০০৭-২০০৮ চনত ২৩ কোটি

আৰু ২০০৮-২০০৯ চনত ৩৭ কোটি, ২০০৯ - ২০১০ চনত ২৯ কোটি টকা এইখিনি টকাৰে বৃহৎ জনগোষ্ঠীটোৰ উন্নয়ন সম্ভৱ নহয়। গতিকে অধিক পুজিঁ আৱণ্টনেৰে ধনৰ পৰিমাণ বৃদ্ধি কৰিবলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, অতি দুখলগা কথা যে চাহ বাগিচাৰ শ্ৰমিকক ইন্দিৰা আবাস যোজনাৰ আবাস গৃহ প্ৰদান কৰা নহয়। বাগিচাৰ জনসাধাৰণক বিশুদ্ধ খোৱা পানীৰ যোগান ধৰা নহয়। চাহ বাগিচাৰ আলি পদুলিৰ কোনো উন্নত ব্যৱস্থা নাই। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি শুনি আচৰিত হ'ব যে বাগিচাৰ শ্ৰমিকে জীৱন ধাৰণৰ বাবে নুন্যতম সুস্থ বাতাৱৰণ নাপায়, ভাল চিকিৎসা নাপায়, বিশুদ্ধ খোৱা পানী নাপায়। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াক দৃষ্টিগোচৰ কৰিলো। আনফালে অন্য জনগোষ্ঠীৰ হকে চৰকাৰে বহু উন্নয়নমূলক আঁচনি গ্ৰহণ কৰিছে। আনফালে চাহ জনগোষ্ঠীক বঞ্চিত কৰিছে। ২০০৬ চনৰ পৰা ANM পৰীক্ষাৰ্থী ৫০ জনকৈ নিযুক্তি ও ট্ৰেনিংৰ ব্যৱস্থাক স্থগিত কৰি ৰাখিছে। এই নিযুক্তি ও ট্ৰেনিংৰ ব্যৱস্থাক চৰকাৰে পুনৰ গ্ৰহণ কৰিব লাগিব। আশা কৰিছো চৰকাৰে অতি সোনকালে গ্ৰহণ কৰিব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনত চাহ জনগোষ্ঠীটোৰ শিক্ষিত স্নাতক নিবনুৱা সকলক নিযুক্তিৰ বাবে এশটা স্নাতক শিক্ষকৰ পদ পূৰণৰ ব্যৱস্থা কৰিছিল। তাৰ ভিতৰত ৫০ টা পুৰণ হ'ল আৰু ৫০ টা খালী পদৰ লগতে আৰু ৩০টা স্নাতক শিক্ষকৰ পদ পূৰণৰ বাবে মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱে আটছাৰ লগত হোৱা আলোচনাৰ পৰিপ্ৰেক্ষিতত যোৱা ২৮ ফেব্ৰুৱাৰী ২০০৬ চনত কন্যাধৰা অতিথি শালাত সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু আজি পৰ্য্যন্ত এই পদবোৰ পূৰণ নহ'ল। কিন্তু মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৱে জনগোষ্ঠীটোৰ শিক্ষিত নিবনুৱা যুৱক-

যুৱতীসকলৰ সংস্থাপনৰ প্ৰতি দৃষ্টি ৰাখি নিযুক্তিৰ ব্যৱস্থা কৰিছিল। অথচ যোৱা ১৬ ফেব্ৰুৱাৰী ২০০৬ ইং তাৰিখে হৈ যোৱা স্নাতক শিক্ষক নিযুক্তিৰ সাক্ষাৎকাৰ গ্ৰহণ কৰাৰ পিছতো আজিলৈ ৮০ টা স্নাতক শিক্ষকৰ পদবোৰ পূৰণ নহ'ল। গতিকে অতি শীঘ্ৰে এই পদসমূহ পূৰণ কৰিব লাগে। মাননীয় অধ্যক্ষ ডাঙৰীয়া ২০০5 চনৰ ৫ মে' তাৰিখে ডিব্ৰুগড়ত মে' দিৱসত চাহ শ্ৰমিক সকলক বিজুলী যোগান ধৰাৰ বাবে প্ৰতিশ্ৰুতি প্ৰদান কৰি সেই মৰ্মে চাহ জনজাতি কল্যান বিভাগক দায়িত্ব দিয়া হ'ল। বিভাগেও টেণ্ডাৰ প্ৰদান কৰি টেণ্ডাৰ মৰ্মে ঠিকাদাৰক বিজুলীৰ মিটাৰ যোগানৰ দায়িত্ব দিলে। কিন্তু সেই বিজুলীৰ সামগ্ৰীসমূহ শ্ৰমিকৰ আবাস গৃহত সংযোগ কৰাৰ বাবে এজন দক্ষ কাৰিকৰৰ প্ৰয়োজন কিন্তু দুৰ্ভাগ্যজনক ভাবে বিজুলীৰ সামগ্ৰীসমূহ শ্ৰমিকসকলৰ আবাস গৃহত সংযোগ হোৱা নাই আৰু শ্ৰমিকৰ ল'ৰা-ছোৱালীয়ে আজিও বিজুলীৰ পোহৰ পোৱা নাই। মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসম চৰকাৰৰ অধীনত বৰ্তমান ১৫ খন চাহ বাগিচা আছে। কিন্তু এই চাহ বাগিচাসমূহৰ শ্ৰমিক সকলৰ অৱস্থা অথৈবচ। শ্ৰমিকে দৰমহা নাপায়। পি, এফৰ ৫৫ কোটি টকা আজিও অনাদায় হৈ আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, চাহ বাগিচা সমূহত এ.চি.এচ বা আই. এ.এচ. বিষয়া নিযুক্তি দিলেই নহ'ব। যাৰ বাবে বাগিচাবোৰত উৎপাদন হ্ৰাস পাইছে। গতিকে চৰকাৰে বাগিচাবোৰ দীঘম্যাদি লীজত দিয়াৰ ব্যৱস্থা কৰিব লাগে। লগতে শ্ৰমিকসকলৰ প্ৰাপ্য ধন পি.এফ. অচিৰে আদায় দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসমৰ কেইবাখন বাগিচাৰ প্ৰাথমিক বিদ্যালয় সমূহ প্ৰাদেশিকৰণ কৰিলে কিন্তু আৰু বহু বাগিচাৰ বিদ্যালয় এতিয়াও প্ৰাদেশিকৰণ হোৱা নাই। গতিকে অতি শীঘ্ৰে এই বিদ্যালয়সমূহ প্ৰাদেশিকৰণ কৰিব লাগে। প্ৰতি

জিলাত এডভাইচৰি সমিতি গঠন কৰি চাহ জনগোষ্ঠীৰ উন্নয়নৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া অসম চৰকাৰৰ শ্ৰম বিভাগৰ বিষয়টোলৈ আহিছো। শ্ৰম বিভাগ একেবাৰেই জৰাজীৰ্ণ প্ৰায় অৱস্থা, বিভাগীয় কাৰ্যালয়ত লিখিবলৈ কাগজেই পাবলৈ নাই। শ্ৰম বিভাগৰ জৰিয়তে শ্ৰমিক শ্ৰেণীৰ কোনো কল্যাণ হোৱা নাই। শ্ৰম বিভাগৰ বিষয়াসকলৰ শ্ৰমিক সকলৰ প্ৰতি কোনো কল্যাণমূলক আঁচনি হাতত নাই। শ্ৰম পৰিদৰ্শক সকলে বাগিচা পৰিদৰ্শন নকৰে। বিভাগীয় গাড়ী ঘোঁৰাৰ ব্যৱস্থা নাই। মেডিকেল অফিচাৰসকলে বাগিচাবোৰ পৰিদৰ্শন নকৰে। যাৰ ফলত শ্ৰমিক সকলে সু-চিকিৎসাৰ পৰা বঞ্চিত হয়। বাজেটখনৰ ওপৰত মই দীঘলীয়া ভাষণ ৰাখিব বিচৰা নাই পুনৰ বাজেটখনক মই সমৰ্থন জনাই শেষত এটাই কথা ক'ব বিচাৰিছো যে কোকৰাঝাৰ আৰু বৰাকৰ যেনেকৈ উন্নয়নৰ হকে অভিযান্ত্ৰিক মহা বিদ্যালয়ৰ পদক্ষেপ গ্ৰহণ কৰিছে তেনেকৈ তিনিচুকীয়া জিলাতো এখন অভিযান্ত্ৰিক মহাবিদ্যালয় লাগে। ধন্যবাদ।

* **শ্ৰীকমল সিং নাৰ্জাৰী :** মাননীয় অধ্যক্ষ মহোদয়, বাজেট বক্তব্যত অংশ গ্ৰহণ কৰিবলৈ দিয়া কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। যোৱা ১৯ জুন তাৰিখে অসমৰ বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই যিখন বাজেট দাখিল কৰিলে সেই বাজেটখনত আমাৰ বিৰোধী দলৰ দলপতি শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই জনমুখী বাজেট নহয় বুলি তেখেতে উল্লেখ কৰিছে আৰু এই বাজেটত জনকল্যাণমূলক কাম কৰিব নোৱাৰিব বুলি তেখেতে কৈছে। লগতে গতানুগতিক বাজেট বুলি তেখেতে কৈছে। এই ক্ষেত্ৰত মই এটা কথা ক'ব

* Speech not corrected

বিচাৰিছো। এই বাজেটত যদিও কিছু ত্ৰুটি থাকি গৈছে তথাপিতো আমাৰ অসমত বৰ্তমান যি পৰিস্থিতি, সেই পৰিস্থিতিত চম্ভালি নিব পাৰে। এই বাজেটত যিখিনি কথা উল্লেখ কৰা হৈছে, আঁচনি উল্লেখ কৰা হৈছে সেই দিশেৰে এই বাজেত ৪৬১৫.১১ কোটি টকাৰ ঘাটি বাজেট দেখুওৱা হৈছে তথাপিও ইয়াৰ দ্বৰা নিশ্চয় আমি জনকল্যানমূলক কাম কৰিবলৈ পাই এই বাজেটখন আমি জনমুখী বাজেট বুলি ক'ব লাগিব। বিশেষকৈ আমাৰ যিসকল পিচপৰা জনগোষ্ঠী সম্প্ৰদায়ৰ মানুহ আছে লগতে মহিলাসকল আৰু নিবনুৱা সকলক কেনেকৈ আগবঢ়াই নিব পাৰি এই বাজেটত বিতং ভাৱে উল্লেখ আছে। আমাৰ পিচপৰা জনগোষ্ঠীসকলক আগবঢ়াই নিবৰ কাৰণে বিত্ত বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি পদক্ষেপ ল'বৰ বাবে আগবাঢ়ি আহিছে তাৰ কাৰণে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। মই এইখিনিতে কেইটামান দিশ আলোচনা কৰিম বুলি ভাবিছো — সেয়া হৈছে পাহাৰীয়া জিলা দুখন এখন কাৰ্বি আংলং আৰু আনখন হৈছে এন, চি, হিলচ্ৰ বিষয়ে ক'ব বিচাৰিছো। পাহাৰীয়া কাৰ্বি আংলং আৰু এন, চি, হিলচ্‌ত বৰ্তমান যি পৰিস্থিতিৰ উদ্ভৱ হৈ আছে সেই সম্পৰ্কত বাজেটত কোনো ধৰণৰ কথা উল্লেখ নাই যদিও মই আশা কৰিছো আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই দুটা ডিমাচা আৰু জেমি নাগাৰ মাজত যি গোষ্ঠী সংঘৰ্ষৰ উদ্ভৱ হৈ আছে আৰু তাৰ ফলত পৰিস্থিতি বেয়াৰ ফালে ধাবমান হৈ আছে। এই ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিশ্চয় দৃষ্টি দিছে। বৰ্তমান যি অৱস্থাত আছে সেইটো উন্নত অৱস্থালৈ আনিবৰ কাৰণে নিশ্চয় চেষ্টা কৰিব। সেইটো মই আশা কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ শিক্ষিত যিবিলাক নিবনুৱা

সৃষ্টি হৈছে তাৰে যিবিলাকে প্ৰবেশিক্ষা পৰীক্ষা পাছ কৰিব পৰা নাই বা পাছ কৰি হায়াৰ চেকেণ্ডাৰী পঢ়ি কাম নোপোৱাকৈ আছে তেখেত সকলক কাৰিকৰী শিক্ষা দিবৰ কাৰণে আই, টি, আই, আৰু অন্যান্য প্ৰতিষ্ঠানসমূহত আসনৰ সংখ্যা বঢ়াবৰ কাৰণে চেষ্টা কৰিছে। এইটো ভাল ইছ্ছা লোৱা বুলি মই ভাবিছো। মই আশা কৰিছো আগন্তুক দিনত স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰতিটো সমষ্টিত একোখনকৈ মডেল হস্পিতাল দিবৰ বাবে চেষ্টা কৰিছে। প্ৰতিটো সমষ্টিত আই, টি, আই প্ৰতিষ্ঠান মুকলি কৰি দিয়ে যেন। এই বিলাক কৰিলে আজি যিবিলাক অৰ্থনীতিৰ কাৰণে অৰ্দ্ধ শিক্ষিত নিবনুৱাৰ সৃষ্টি হৈছে সেই নিবনুৱা সকলক কাৰিকৰী প্ৰশিক্ষণ দিয়াই নিজৰ ভৰিত নিজে ভৰ দি নিজে থিয় হ'ব পাৰে তাৰ ব্যৱস্থা কৰি দিলে নিবনুৱাসকলে কিছু সকাহ পাব।

মাননীয় অধ্যক্ষ মহোদয়, মই সেই কাৰণে প্ৰতিটো সমষ্টিতে একোখনকৈ আই, টি, আই স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত আজি আমাৰ দৃষ্টিগোচৰ হৈছে অসমৰ প্ৰতিখন বিদ্যালয়ত অৱসৰ আৰু মৃত্যুৰ পিছত ৭/৮/৯ জনকৈ শিক্ষকৰ অভাৱ হৈছে। এই শিক্ষক সকলক নিযুক্তি দিব নোৱাৰাৰ কাৰণে আজি আমাৰ ছাত্ৰ-ছাত্ৰীসকলে স্কুললৈ গৈ শিক্ষা লাভ কৰিব নোৱাৰা অৱস্থা হৈছে। যোৱা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণৰ হাৰ চৰকাৰী বিদ্যালয়সমূহে আশানুৰূপ ফল দেখুৱাব নোৱাৰাটোৱেই ই এক কাৰণ। যিবিলাক অৱসৰ বা মৃত্যু হোৱাৰ ফলত শিক্ষকৰ পদ খালি হৈ আছে সেইবিলাক অতি সোনকালে পূৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি মই আশা ৰাখিছো। নহ'লে আজি আমাৰ ভৱিষ্যত প্ৰজন্মক অন্ধকাৰলৈ ঠেলি দিয়াৰ অৱস্থা হ'ব। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য শ্ৰীমহেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে

মাধ্যমিক আৰু প্ৰাথমিক আৰু উচ্চ শিক্ষা ভালদৰে পৰিচালনা কৰিবৰ বাবে বড়ো মাধ্যমৰ এটা পৃথক সঞ্চালকালয় সৃষ্টি কৰিব লাগে বুলি উল্লেখ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, এই সদনতে মাননীয় ৰিপুণ বৰা ডাঙৰীয়া যেতিয়া শিক্ষা মন্ত্ৰী আছিল তেতিয়া আমি নিজেই এই লৈ এটা প্ৰস্তাৱ দিছিলো। তেতিয়া তেওঁ কৈছিল যে বি, টি, চিয়ে এন. ও. চি. দিলে অসম চৰকাৰে যিখিনি কৰিবলগীয়া আছে সেইখিনি কৰি দিব। কিন্তু আজি পৰ্যন্ত কি কাৰণে নহ'ল গম নাপালো। এই ক্ষেত্ৰত আমাৰ মাননীয় বিত্ত মন্ত্ৰী আৰু শিক্ষা মন্ত্ৰী মহোদয়ে ভালকৈ চিন্তা কৰিব বুলি আমি আশা ৰাখিলো। অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো যে মাদ্ৰাছাসমূহ ঠিক মতে পৰিচালনা কৰাৰ বাবে পৃথক সঞ্চালকালয় আছে। ঠিক তেনেদৰে আমাৰ বড়ো মাধ্যমটোও ঠিক মতে পৰিচালনা কৰিবলৈ পৃথক এটা সঞ্চালকালয় সৃষ্টি কৰিবলৈ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ শিতানত মই ক'বলৈ বিচাৰিছো যে প্ৰতিখন মহকুমাতে একোখনকৈ চিভিল হস্পিতাল স্থাপন কৰা হওঁক। মই সদনৰ মজিয়াত অনুৰোধ জনালো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী মহোদয় আৰু স্বাস্থ্য মন্ত্ৰী মহোদয়ে আশা কৰ্মীৰ এখন কনফাৰেন্সত আশা কৰ্মী সকলক বাইচাইকেল দিয়া হ'ব বুলি কৈছিল। কিন্তু আজি পৰ্যন্ত তেওঁলোকক বাইচাইকেল দিয়া নহ'ল। অঙ্গনবাদী কৰ্মীসকলক বাইচাইকেল দিয়াৰ বাবে বাজেটত যিদৰে ধৰা হৈছে ঠিক সেইদৰে আশা কৰ্মী সকলোকো বাইচাইকেল দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই মাননীয় মুখ্যমন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। জলসিঞ্চনৰ ক্ষেত্ৰত বিৰোধী দলপতি মাননীয় পাটোৱাৰী ডাঙৰীয়াই মেজৰ জলসিঞ্চন প্ৰজেক্ট ল'ব

নালাগে বুলি জলসিঞ্চন মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছিল। এই ক্ষেত্ৰত মই এটা কথা ক'ব বিচাৰিছো যে মেজৰ ইৰিগেছন প্ৰজেক্ট ল'লেও কাৰ্য্যকৰী হ'ব যদিহে এই ক্ষেত্ৰত শক্তি বিভাগ আৰু জলসিঞ্চন বিভাগ একেলগে টাইআপ হয়। আজি আমাৰ ৰাজ্যত খৰাং বতৰে তাণ্ডৱলীলা দেখুৱাইছে। খৰাং বতৰৰ বাবে কৃষক সকলে খেতি পথাৰলৈ ওলাই আহিব পৰা নাছিল। আজি দুদিনমানৰ পৰা বৰষুণ পৰা কাৰণে আমাৰ কৃষক সকল পথাৰলৈ ওলাই আহিছে। আজি মাইনৰ ইৰিগেছন প্ৰজেক্টৰ জৰিয়তে খেতি পথাৰত যি ধৰণে পানী যোগান ধৰা হৈছে সেইখিনি যথেষ্ট নহয়। গতিকে মেজৰ ইৰিগেচন প্ৰজেক্টৰ বাবে শক্তি বিভাগ আৰু জলসিঞ্চন বিভাগ যদি লগ হৈ কাম কৰে তেতিয়াহ'লে আমি কৃষক সকলক খেতি পথাৰত পানী যোগান দিয়াৰ উপৰিও বিদ্যুৎ উৎপাদন কৰিবলৈ সক্ষম হ'ম। আমাৰ বিজনীতো এটা জলসিঞ্চন প্ৰকল্পৰ বাবে আজি বহুদিনৰ পৰা চেষ্টা চলাই থকা হৈছে। ১৫০ কোটি টকা ব্যয় সাপেক্ষ এই প্ৰকল্পটোৰ বাবে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন লাভ কৰিছে আৰু এই প্ৰকল্পটো হৈ উঠিলে জলসিঞ্চনৰ উপৰিও শক্তিত উৎপাদন কৰিবলৈ সক্ষম হ'ম।

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ এই বিধান সভাৰ মজিয়াত জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয় উপস্থিত আছে। শক্তি বিভাগৰ মন্ত্ৰী মহোদয় উপস্থিত আছে। মই তেখেতসকলৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয় মোৰ সমষ্টি বিজনীলৈ গৈছে। যোৱা ১৮ ৰ পৰা ২৪ বছৰ আগৰ যি আমাৰ আধৰুৱা কাম হৈ আছে, যোৱা ৩ বছৰত মাননীয় মন্ত্ৰী মহোদয়ে সেইখিনি কাৰ্য্যক্ষম কৰি তুলিছে। বিভিন্ন স্কীম বিলাক তেখেতে নিজে চাই আহিছে। তিনিটা এফ.আই.

স্কীমৰ জৰিয়তে ৬০০০ বিঘা মাটিত পানী দিবলৈ সক্ষম হৈছে। ঠিক তেনেদৰে ই. এম. পি. আঁচনিৰ জৰিয়তে জলসিঞ্চন প্ৰকল্প আঁচনি হাতত লৈছে। ১৫ টা জলসিঞ্চন প্ৰকল্পৰ কাম আৰম্ভ হৈছে। তেতিয়া হ'লে ২০১০ চনৰ ভিতৰত ১৮ টা এফ. আই. স্কীমৰ আঁচনিৰ জৰিয়তে বিজনীত পানী যোগান কৰিবলৈ সক্ষম হ'ব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এইখিনি হোৱাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। পঞ্চায়তৰ ক্ষেত্ৰত আমাৰ মাননীয় বন্ধুবৰ শ্ৰী মনেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই বহুখিনি কথা কৈ গৈছে। ৭৩-৭৪ সংবিধানৰ সেই ব্যৱস্থাটোক ষষ্ঠ অনুসূচীত অনুমোদনৰ কাৰণে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই যিটো পদক্ষেপ লৈছে সেইটো অতি প্ৰশংসনীয়। এই ব্যৱস্থাটোৰ দ্বাৰা ষষ্ঠ অনুসূচীত এলেকা সমূহত যি বিলাক জনগোষ্ঠী আছে তেওঁলোকৰ কথা চিন্তা কৰিছে। এই খিনিতে মই এটা কথা ক'ব বিচাৰিছো যে আমাৰ মাননীয় হাগ্ৰামা মহিলাৰী ডাঙৰীয়াই এটা কথা কৈছে যে পঞ্চায়ত বি, টি, চিক আমি প্ৰয়োগ কৰিব নিদিওঁ। বি, টি, চিৰ লগত পঞ্চায়তৰ চিষ্টেমটো প্ৰয়োগ কৰিবলৈ হ'লে আমাৰ মাননীয় পঞ্চায়ত মন্ত্ৰী চন্দন ব্ৰহ্ম ডাঙৰীয়া, অসমৰ মাননীয় মুখ্যসচিব মহোদয়, মাননীয়া প্ৰমীলাৰাণী ব্ৰহ্ম ডাঙৰীয়ানী, মাননীয় ৰিহন দৈমাৰী ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী মহোদয়, বি, টি, চিৰ চিফ হাগ্ৰামা মহিলাৰী ডাঙৰীয়াক একেলগে লৈ পেলাই এই সম্পৰ্কে বিশদ ভাবে আলোচনা কৰি কেনেভাবে কৰিলে ভাল হ'ব তাৰ বাবে ব্যৱস্থা ল'বলৈ মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। এইখিনিতে মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যে আমাৰ পুলিচ বিভাগটো আধুনিকীকৰণ কৰিবৰ কাৰণে বাজেটত প্ৰস্তাৱ লোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, বি, টি, চিত নতুনকৈ

চাৰিখন জিলা অৰ্ন্তভূক্ত কৰা হৈছে। এই জিলা কেইখনত পুলিচৰ যিটো শক্তি সেইটো একেবাৰে নাই বুলিয়েই ক'ব পাৰি। ফলত বি, টি, চি অঞ্চলত গোষ্ঠীগত সংঘৰ্ষই হওঁক বা নানাধৰণৰ উগ্ৰপন্থীৰ সমস্যাই হওঁক সেইটো দমন কৰিবৰ কাৰণে আজি যথোপযুক্ত পুলিচ বাহিনী নথকাৰ কাৰণে সেইটো কৰিব পৰা নাই। তেওঁলোকৰ হাতত হাঠিয়াৰ নাথাকে। পুলিচৰ সংখ্যাটো বৃদ্ধি কৰিবৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। তেওঁলোকে চাৰিৰ পৰা পাঁচ মাহ দৰমহা নোপোৱাকে থাকে। তেওঁলোকক যাতে মাহে মাহে দৰমহা আদায় দিব পাৰে তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু বহুখিনি কবলগীয়া কথা আছিল। সময়ৰ অভাৱৰ কাৰণে ক'ব নোৱাৰিলো। মাননীয় বিধায়ক মনেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই বি টি চি সম্পৰ্কে বিশদভাৱে কৈছে। এই সম্পৰ্কে নিশ্চয় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ হৈছে আৰু তেখেতে এই ক্ষেত্ৰত নিশ্চয় কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয়া বিধায়িকা ড° অলকা শৰ্মা।

*** ড° অলকা শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০০৭-২০০৮ ৰ বাজেটত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই জেণ্ডাৰ বাজেটৰ কথা কৈছে আমি শুনি আনন্দিত হৈছো। মহিলাসকলৰ সমস্যাৰ প্ৰতি বিশেষ দৃষ্টি ৰখা হ'ব। তেওঁলোকৰ সমস্যাসমূহৰ প্ৰতি বিশেষভাৱে মূল্যায়ণ কৰা হ'ব। কিন্তু দিনে দিনে মহিলাসকলৰ ওপৰত নিৰ্যাতন বৃদ্ধি পাইছে। মহিলাসকলৰ এই আটাইতকৈ ডাঙৰ সমস্যা হ'ল মূল্যবৃদ্ধিৰ সমস্যা। আমাৰ অসমৰ এটা ফকৰা যোজনা আছে,

* Speech not corrected

ধান পকে মানে টুনীৰ মৰণ। মহিলাসকলে আজি যিটো পজিশ্যন পাব লাগিছিল সেইটো পোৱা নাই। জেণ্ডাৰ ভিত্তিত যিটো পলিচি কৰা হৈছে তাত অসমৰ স্থান ২৯ত আছে। আমি সকলোৱে জানো যে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ মহিলাসকলৰ স্থান বহুত ওপৰত আছে। অসম চৰকাৰে জেণ্ডাৰ বাজেটৰ প্ৰতি সদ্‌ইচ্ছা প্ৰকাশ কৰি বিভিন্ন মহিলা সংগঠন আছে, ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ দৰে সংগঠন সমূহৰ সহযোগ লৈ আগবাঢ়ি যাব লাগিব। দ্বিতীয়তে আমি এই বাজেটত পৰিবেশ সম্পৰ্কে একো দেখা নাপালো। অসমত ৰেইন ফৰেষ্টৰ সংখ্যা কমি গৈছে। ব্ৰহ্মপুত্ৰত ডলফিনৰ সংখ্যা কমি গৈছে। দ্বীপৰ বিলৰ জলভূমি কমি গৈছে। পৰ্য্যাৱৰণ আঁচনি মহিলাসকলৰ উন্নয়নৰ কাৰণে ব্যৱস্থা ল'বলৈ মই চৰকাৰক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিধায়ক শ্ৰীৰাজু চাহু।

* **শ্ৰীৰাজু চাহু ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে ২০০৯-২০১০ চনৰ বাজেট সদনত দাখিল কৰিছে। এই বাজেট সম্পৰ্কত মই দুটামান কথা ক'বলৈ বিচাৰিছো। অধ্যক্ষ মহোদয়, যোৱা ৮ বছৰে মই এই সদনত বিধায়ক ৰূপে আছো। যোৱা বছৰ কেইটাত কৰাৰ দৰে এইবাৰো আমাৰ বিৰোধী দলে এই বাজেটখনৰ সমালোচনা কৰিছে। গণতন্ত্ৰত নিয়ম এটা আছে, সমালোচনা কৰিব লাগে। গতিকে সমালোচনা কৰে। কিন্তু ইয়াৰ সোৱাদ সকলোৱে ভোগ কৰে। যেনেকৈ আমাৰ কল্পতৰু আঁচনি লৈছো। বিৰোধী দলৰ সদস্য সকলেও ইয়াৰ সোৱাদ লৈছে। আমি বৃদ্ধ পেঞ্চনৰ ব্যৱস্থা কৰিছো। তেখেতসকলেও ইয়াৰ ফল ভোগ কৰিছে। আমি চাইকেল দিছো, তেওঁলোকেও দিব পাৰিছে।

* Speech not corrected

এইদৰে আমি লোৱা বিভিন্ন আঁচনিৰ সোৱাদ বিৰোধী বিধায়কসকলেও লৈছে। আমি স্কুলৰ আধাৰশিলা স্থাপন কৰিছো। তেওঁলোকে সূতা কাটিছে। এই বিধানসভাত তেখেত সকলে নিজ মুখে উল্লেখ কৰিছে। বাজেটত আমি প্ৰতিটো বিভাগতে যথেষ্ট পৰিমাণৰ উন্নয়ন হোৱাটো দেখিবলৈ পাইছো। আমাৰ কৰ্মচাৰীসকলৰ দৰ্মহা সংশোধনীৰ ক্ষেত্ৰত পে স্কেল বঢ়াই দিছে। যোৱা গণ পৰিষদ চৰকাৰৰ দিনত কৰ্মচাৰীক দৰ্মহাই দিব পৰা নাছিল। যথেষ্ট পৰিৱৰ্ত্তন আমি এই বাজেটত দেখিবলৈ পাইছো। অহা সময়চোৱাত অসমবাসী ৰাইজে প্ৰতিটো ক্ষেত্ৰতে যথেষ্ট সুফল লাভ কৰিবলৈ সক্ষম হ'ব। আৰক্ষী প্ৰশাসনত আধুনিকীকৰণৰ ব্যৱস্থা লোৱা হৈছে। নিবনুৱা সমস্যাৰ সমাধানৰ কাৰণে ইয়াত ব্যৱস্থা ৰখা হৈছে। যোৱা সময় চোৱাত দেখা গৈছিল অসম চৰকাৰে বহুতো লোকক নিযুক্তিৰ সুবিধা দিছে। আমাৰ আটাইতকৈ পাছপৰা চাহ জনগোষ্ঠীৰ লোকসকলৰ যেনেদৰে নিযুক্তিত হ'ব লাগিছিল, তেনেদৰে হোৱা নাই। মাত্ৰ ৫০ জন নিযুক্তি হৈছে। এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা ল'ব লাগে। আমাৰ শিক্ষাৰ ক্ষেত্ৰত বহুতো আঁচনি গ্ৰহণ কৰা হৈছে। বিভিন্ন পৰ্যায়ত বহুতো আঁচনি গ্ৰহণ কৰা হৈছে। নতুন পৰিকল্পনা কৰা হৈছে। তাৰ পৰা অসমৰ বহুত লাভ হ'ব। ক্ৰীড়া আৰু যুৱ কল্যাণৰ কাৰণে বহু আঁচনি গ্ৰহণ কৰা হৈছে। যোৱাবাৰ আমাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সুন্দৰ ৰূপে অনুষ্ঠিত হৈ গ'ল। ক্ৰীড়াৰ ক্ষেত্ৰত যথেষ্ট কাম-কাজ হৈছে আৰু অহা সময়চোৱাত হ'ব বুলি আমি আশা কৰিলো। স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত বহুত উন্নতি হৈছে। বিভিন্ন চি এইচ. চি. , পি.এইচ.চি আদি ডেভেলপ কৰা হৈছে । স্বাস্থ্য বিভাগত অধ্যক্ষ মহোদয়, আমি কাম কৰাৰ মানসিকতা এটা দেখিবলৈ পাইছো। যোৱা দিন বিলাকৰ তুলনাত এইটো বৃদ্ধি হৈছে। তেওঁলোকৰ মাজত

সেৱাৰ মনোভাৱ এটা গঢ় লৈ উঠিছে। মোৰ ঘৰৰ ওচৰতে চিভিল হস্পিতাল আছে, তাত বিভিন্ন অঞ্চলৰ পৰা কেচ আহে। যোৱা সময়ৰ তুলনাত ৱৰ্ক কালচাৰটো, ডাক্তৰেই হওঁক, নাৰ্চেই হওঁক সকলোৰে ক্ষেত্ৰতে বাঢ়ি আহিছে। আশা কৰিছো আগন্তুক দিনবোৰত আৰু বেছি সেৱা অসমৰ জনসাধাৰণে পাব। খোৱা পানীৰ ক্ষেত্ৰটো দেখিছো বিভিন্ন আঁচনি লৈছে। মোৰ সমষ্টিতে দেখিছো বিভিন্ন আঁচনি লৈছে। যিবিলাক পৰিকল্পনা গ্ৰহণ কৰিছে সেইখিনি ভাল দৰে ৰূপায়ণ হ'লে আমাৰ জনসাধাৰণৰ লাভ হ'ব। পঞ্চায়তৰ ক্ষেত্ৰটো এনৰেগাত বহুতো কাম হৈছে। নিৰ্বাচিত প্ৰতিনিধিসকলে যদি নিজে এইবিলাক ভালদৰে চোৱা-চিতা কৰে মই ভাৱো যথষ্টে পৰিমাণে উপকৃত হ'ভ। পি. ডব্লিউ.ডি.ৰ কথা ক'বলৈ গ'লে আমাৰ ৰাস্তা-ঘাটৰ বহুতো উন্নতি হৈছে। যোৱা সময়চোৱাৰ তুলনাত এতিয়া যথেষ্ট উন্নত হৈছে। এই বিভাগত যথেষ্ট পৰিমাণৰ কাম-কাজ হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে যিখন বাজেট দাঙি ধৰিছে, তাৰ পৰা বহুতো কাম কাজ হোৱাৰ আমি আশাৰ ৰেঙণি দেখিছো। মোৰ সমষ্টিটো তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাতো পৰে। মই দেখিছো আমাৰ গোটেই ব্লকে ব্লকে কাম বিলাক সুন্দৰভাৱে চলি আছে। ২০১২ চনত এই কামবিলাক শেষ হ'ব বুলি মই আশা কৰিছো। এই ক্ষেত্ৰত আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই বিশেষ ভাবে তদাৰক কৰি আছে, ইয়াৰ বাবে আমি তেখেতক ভাল পাইছো। যিবিলাক গাঁওত আগতে বাল্ব দেখা নাছিল, সেই বিলাক গাওঁত আজি ইলেক্ট্ৰিক লাইন গৈছে। দুখীয়া পৰিয়ালবিলাকক ফ্ৰি কৈ ইলেক্ট্ৰিছিটি দিয়াৰ ব্যৱস্থা কৰা হৈছে। আজি গাওঁত দুখীয়া লোকসকলে পোহৰ পাইছে। ইয়াৰোপৰি উদ্যোগ বিভাগত কাম হৈছে, লেপেটাকটাত গেছ

ক্ৰেকাৰৰ কাম সুন্দৰভাৱে হৈ আছে। তাত পূৰ্ণ গতিত কাম চলি আছে। এই বছৰৰ ভিতৰতে কাম কাজ সম্পূৰ্ণ হ'ব বুলি আশা ৰাখিছো। সমাজ কল্যাণ বিভাগৰ কিছুমান অঙ্গনৱাদী চেণ্টাৰ হৈছে। তাত দেখিছো অতি দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰিবলৈ আহিছে। তেওঁলোকে যথেষ্ট পৰিমাণৰ শিক্ষা লাভ কৰিছে। ইয়াৰোপৰি এক লাখৰো অধিক আশা চুপাৰভাইজৰ নিযুক্তি দিয়া হৈছে। ইয়াৰোপৰি বিভিন্ন জনজাতি উন্নয়ন পৰিষদ আছে। সেই পৰিষদসমূহে জনগোষ্ঠী পৰিয়ালসমূহৰ বাবে কম সময়ৰ ভিতৰতে সুন্দৰভাৱে কাম কৰি আছে। পিছ পৰা শ্ৰেণীৰ, জনজাতি সমূহক আগবঢ়াই লৈ যোৱাৰ বাবে যথেষ্ট কাম কৰিব পাৰিছে।

অধ্যক্ষ মহোদয়, মই কেইটামান পৰামৰ্শ আগ বঢ়াব বিচাৰিছো যে চাহ জনজাতি কল্যাণ পৰিষদৰ বাবে যি টকা ধাৰ্য্য কৰা হৈছিল, সেই টকা পোৱা হোৱা নাই। মাত্ৰ ৪০/৫০ শতাংশহে দিয়া হৈছে। এইটো মোকলাই দিয়াৰ বাবে অনুৰোধ কৰিছো। চাহ জনগোষ্ঠীৰ বিদ্যালয়সমূহ চৰকাৰীকৰণ কৰা হোৱা নাই। এনেকুৱা মোৰ সমষ্টিৰ কেবাখনো বিদ্যালয় চৰকাৰীকৰণ নোহোৱাকৈ আছে। এইক্ষেত্ৰত সকলোৰে ফাণ্ডামেণ্টেল ৰাইট আছে। বিদ্যালয়বিলাক চৰকাৰীকৰণ কৰিলে আমি লাভবান হ'ম। জনজাতি পিচপৰা শ্ৰেণীৰ মানুহ আজি ১৫-২০ বছৰ ধৰি কেম্পত আছে। তেওঁলোকৰ ক্ষেত্ৰত সোনকালে ব্যৱস্থা কৰাৰ বাবে অনুৰোধ জনালো। এ.টি.পি.ডি.চি.ত তিনি মাহ ধৰি ডেইলি ওৱেজ দিয়া নাই। সেইটো দিয়া কাৰণে মই অনুৰোধ জনালো। যি চাহপাত ৩০/৩২ টকাত দিয়ে, সেই চাহপাত ১০/১২ টকা বজাৰত বিক্ৰী হৈ আছে। এই ক্ষেত্ৰত আমি যথেষ্ট টকা হেৰুৱাবলগা হৈছো। মই উদ্যোগ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই ক্ষেত্ৰত

তেখেতে চোৰা-চিতা কৰিলে আমি যথেষ্ট লাভবান হ'ব পাৰিম। চাহ জনগোষ্ঠীৰ ক্ষেত্ৰত স্পেচিয়েল পেকেজ দিব লাগে। তেওঁলোকে বিভিন্ন চাকৰি-বাকৰিৰ ক্ষেত্ৰত কম্পিটিশ্বন কৰিব নোৱাৰে। আগতে একশ গ্ৰেজুৱেট পোষ্ট দিছিল। কিন্তু তাৰ ৮০ টাও দিব পৰা নাই। সোনকালে নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। আমি দেখিবলৈ পাইছো যে বিৰোধী দলৰ মাননীয় সদস্যসকলে বাজেটক সমালোচনা কৰিছে। তেখেতসকলে এম. এল. এ. ফাণ্ড বঢ়াই দিয়াৰ কথা কৈছে। কিয় বঢ়াই দিব লাগে বুলি কৈছে মই বুজি পোৱা নাই। (ভইচঃ আপোনাক বঢ়াই দিব লাগে নে নাই) আমাকো বঢ়াই দিব লাগে। যিসকল মাননীয় সদস্যই বাজেটৰ বিৰোধিতা কৰিছে, তেওঁলোকক উঠাই ল'বলৈ মই অনুৰোধ কৰিছো আৰু মাননীয় অধ্যক্ষ মহোদয়ে মোক এইখিনি ক'বলৈ দিয়াৰ বাবে মই তেখেতক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীচণ্ডী বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় সদনত যিখন বাজেট দাঙি ধৰা হৈছে— সেই বাজেটখন অসমৰ কাৰণে এখন ভাল বাজেট হৈছে। তাৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ যাচিছোঁ। এই বাজেটখন অসমৰ ৰাইজৰ কাৰণে উপযোগী বাজেট বুলি মই ধাৰণা কৰিছো। এই বাজেটৰ জৰিয়তে বি, টি, চি এৰিয়াতো আমি উন্নতিৰ পথ দেখিবলৈ পাম। আগতে বি, টি, চিৰ উন্নয়নৰ পুঁজি ১৫০ কোটি টকা এতিয়া সেইটো বাঢ়ি ১৬৫ কোটি টকা হৈছে। কিন্তু এইটো ২০০ কোটি হোৱা হ'লে আৰু অধিক ভাল হ'লহেঁতেন। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত পাগলা দিয়াৰ এটা ডেম বহুৱাৰ কথা ব্ৰহ্মপুত্ৰ বোৰ্ডে আঁচনি চলাই আছে কিন্তু অধ্যক্ষ মহোদয় এই ডেমটো কেনচেল কৰিব লাগে। যদি এইটো কেনচেল কৰা নহয় তেন্তে প্ৰায় ৩৩ খন ৰেভিনিউ ভিলেজ উচ্ছেদ হ'ব। নামঘৰ, মন্দিৰ, মছজিদকে আদি কৰি বহুতো

ধৰ্মানুষ্ঠান উচ্ছেদ হ'ব লাগিব। হিমালয় আৰু ভূটানৰ পৰা যিবোৰ নদী ওলাইছে এই গোটেইবোৰ নদীক এটা এটাকৈ চেনেলাইজ চিচটেম কৰি গোটেই পানীবোৰ ব্ৰহ্মপুত্ৰত পেলোৱাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় আমাৰ বি, টি, চি, এৰিয়াত ৩০ লাখ পপুলেচন আছে গতিকে ইংঞ্জিনিয়াৰিং কলেজখন আৰু মেডিকেল কলেজখন বাক্সাত হ'ব লাগে। মই বিশেষকৈ আমাৰ সমষ্টিৰ মেজৰ ৰোড তামুলপুৰ আৰু নাগ্ৰাজুলি এই পথটো ভূটান সংযোগী পথ। এই পথটো নতুনকৈ নিৰ্মাণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰি মই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

**শ্ৰীমতিউৰ ৰহমান মণ্ডল ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰীৰো দায়িত্বত থকা মাননীয় শ্ৰীযুত তৰুণ গগৈ ডাঙৰীয়াদেৱে সদনত উত্থাপন কৰা ২০০৯-২০১০ চনৰ বাজেটৰ বাবে তেখেতক ধন্যবাদ জনাইছো। লগতে মোক ক'বলৈ সুবিধা দিয়াৰ বাবে আপোনাক আৰু এই পবিত্ৰ সদনক ধন্যবাদ জনাইছো। এই বাজেটখন সম্পূৰ্ণভাৱে সমৰ্থন কৰি মই দুষাৰমান ক'ব খুজিছো। বিশ্বজোৰা আৰ্থিক মন্দাৱস্থা আৰু প্ৰাকৃতিক প্ৰতিকূল পৰিস্থিতি স্বত্বেও এই বাজেটখন অতি উত্তম, সময়োপযোগী আৰু জনকল্যাণমুখী হৈছে। এই বাজেটখনে আমাৰ সমাজ আৰু ৰাজ্যৰ প্ৰতিজন নাগৰিকৰ উন্নয়ন আৰু সুখ-সমৃদ্ধিৰ বিষয়টো সামৰি লৈছে।

অসমৰ বিভিন্ন থলুৱা জনগোষ্ঠী, পাৰ্বত্য জনজাতি, চাহ জনজাতি অনুসূচত জাতি, সংখ্যালঘু সম্প্ৰদায় আৰু চৰ অঞ্চলৰ ৰাইজৰ সৰ্বাঙ্গীন আৰ্থ সামাজিক উন্নতিৰ বাবে বিশেষ ব্যৱস্থা লোৱা হৈছে।

শিক্ষা, স্বাস্থ্য, যাতায়াত, কৃষি, জলসিঞ্চন, বিশুদ্ধ খোৱা পানীৰ

ব্যৱস্থা, গাঁও উন্নয়ণ, আভ্যন্তৰীণ নিৰাপত্তা, কাৰিকৰী শিক্ষা আদি সকলো দিশকে চুই যোৱা দৃষ্টি গোচৰ হৈছে।

এই বাজেটত দৰিদ্ৰসীমাৰেখাৰ তলত বাস কৰা লোকক অসমৰ চৰকাৰী চিকিৎসালয়ত চিকিৎসাৰ বাবে বিনামূলীয়া ঔষধ, আহাৰ আৰু নগদ টকা ভাট্টা দিয়াৰ ব্যৱস্থা ৰখা হৈছে। নতুন বীমা আঁচনিত পাঁচ কোটি টকাৰ ধাৰ্য্য কৰা হৈছে আৰু ৩৫,০০০ (পয়ত্ৰিশ হাজাৰ) টকা পৰ্যন্ত দুখীয়া মানুহক দিয়াৰ ব্যৱস্থা ৰখা হৈছে।

সাংবাদিকসকলৰ কল্যাণৰ বাবে এক কোটি টকা ৰখা হৈছে। মই ভাবো কৃষি খণ্ডত টকাৰ পৰিমাণ বঢ়াব লাগে আৰু কৃষি বীমা আঁচনি প্ৰবৰ্তন কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৩ চনতে চাব ডিভিজন (মহকুমা) হোৱা স্বত্বেও আজিলৈকে মহকুমাৰ কৰ্ট আৰু উপ-কোষাগাৰ হোৱা নাই। ইয়াৰ ব্যৱস্থা কৰি দিব লাগে।

**শ্ৰীথানেশ্বৰ বসুমতাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি বাজেট উত্থাপন কৰিলে তাৰ ওপৰত আলোচনাত অংশ গ্ৰহণ কৰি মই দুটামান কথা ক'বলৈ বিচাৰিছো। আমি নতুনকৈ গঠন হোৱা অতি পিছ পৰা জিলাৰ পৰা আহিছো। গতিকে আমি এই জিলা কেইখনৰ ওপৰতে কথা ক'ব লগীয়া আছে। যোৱা ২০০৩ চনত যি তিনিখন জিলা গঠন হ'ল বাক্সা, ওদালগুৰি আৰু চিৰাং। এই জিলা সমূহত আজিলৈকে এখনো থানা নাই। থানা ৰিঅৰ্গেনাইজ কৰাৰ যি কথা কোৱা হৈছে সেই ক্ষেত্ৰতে বিশেষকৈ চিমলা, গোৰৰ্ধনা লাবাদাংগুৰী এই তিনিখন ঠাইত থানা দিয়াৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আমাৰ চৰকাৰে যি বাজেট উৎখাপন কৰিছে তাত নতুনকৈ অগ্নিনিৰ্বাপক কেন্দ্ৰ দিয়াৰ কথা ঘোষণা কৰিছে। সেয়ে মই আশা কৰিছো

এই নতুনকৈ হোৱা জিলা তিনিখনতো নতুন অগ্নিনির্বাপক কেন্দ্র স্থাপন কৰিবলৈ বিশেষকৈ, চিমলা, মুছলপুৰ, শালবাৰীত এখনকৈ অগ্নিনির্বাপক কেন্দ্র স্থাপন কৰিবলৈ অনুৰোধ জনালো।

তাৰোপৰি স্বাস্থ্য বিভাগৰ ক্ষেত্রত যি নতুন বিপ্লৱ আমাৰ স্বাস্থ্যমন্ত্রী আৰু মুখ্যমন্ত্রী মহোদয়ে আনিছে তাৰ বাবে আমি তেখেতসকলক ধন্যবাদ জনাইছো। কাৰণ এই বিপ্লৱৰ জৰিয়তে আমাৰ মুখ্যমন্ত্রী তথা স্বাস্থ্য মন্ত্রী মহোদয়ে ১২৬ টা বিধানসভা সমষ্টিতে এটাকৈ মডেল স্বাস্থ্য কেন্দ্র স্থাপন কৰিবলৈ কৈছে য'ত ওঠ ফটা আৰু তালুফটা বেমাৰীবিলাকক বিনামূল্যে প্লাষ্টিক চাৰ্জাৰী কৰি আৰোগ্য কৰিবলৈ পদক্ষেপ লৈছে। বিনামূলীয়া অপাৰেশ্যনৰ ব্যৱস্থা কৰিছে। তাৰ বাবে মই তেখেতসকলক আকৌ ধন্যবাদ জনাইছো। আকৌ আমাৰ এই তিনিওখন জিলাতে জেল নাই। সেয়ে জিলাই প্রতি একোখনকৈ ডিষ্ট্রিক্ট জেল পতাৰ ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনালো। যাতে আমাৰ এই চিৰাং, বাক্সা আৰু ওদালগুৰিত থানা আৰু জেল স্থাপন কৰি আইন শৃংখলাৰ ক্ষেত্রত এটা দৃঢ় পদক্ষেপ ল'ব বুলি আশা কৰিলো। ইয়াৰ উপৰিও অলপ আগতে আমাৰ মাননীয় বিধায়ক ভূবন পেগু ডাঙৰীয়াই যি ৫৯টা ইন্সপেক্টৰৰ পদৰ কথা ক'লে সেই ক্ষেত্রত আমাৰ চৰকাৰে ST Reserve কৰাৰ কথা কৈছে। তাত মই সন্মত হ'ম। আকৌ এই বিলাক ৰিভিউ কৰি আমাৰ জনজাতি লোকসকলে যাতে এই পদবোৰত নিযুক্তি পাব পাৰে সেইটো বিশেষকৈ লক্ষ্য কৰিলে ভাল পাম। সীমান্ত অঞ্চল মন্ত্রীয়ে সীমান্ত অঞ্চল উন্নয়নৰ কাৰণে বাজেটত যিখিনি ধন ধাৰ্য্য কৰিছে তিনি কিলো মিটাৰৰ মূৰে মূৰে যি এচ.এচ.বি আৰু বি.এচ.এফ.ক BOP Camp ব্যৱস্থা কৰিছে সেইটো ভাল হৈছে। কিন্তু তেওঁলোকৰ যাতায়তৰ কাৰণে বহু অসুবিধা আমি দেখা পাইছো। গতিকে

এই ৰাস্তা ঘাটবিলাক ভাল কৰাৰ ব্যৱস্থা কৰিব লাগে। এইটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ লগতে মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। আকৌ মুছলপুৰত আজিলৈকে আমাৰ জিলা উপায়ুক্তৰ অফিচ নাই, বহা নাই। যোৱা বছৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মুছলপুৰত এটা চিভিল হস্পিটাল উদ্বোধন কৰিবলৈ যাওঁতে বৰমাৰ পৰা জিলা উপায়ুক্ত অফিচ মুছলপুৰলৈ নিবৰ কাৰণে নিৰ্দেশ দিছিল কিন্তু আজিলৈকে এই অফিচ বৰমাতে আছে। এই ক্ষেত্ৰত বিহিত ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰি মই সামৰণি মাৰিলো।

* **শ্ৰীৰাজীৱ লোচন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইবছৰৰ যি বাজেট সদনত দাঙি ধৰিলে সেই বাজেটখনক মই এখন উন্নয়ন মুখী বাজেট বুলি কৈছো। যিহেতু ২০০১ চনৰ যি বাজেট উৎথাপন কৰিছিল সেই বাজেটৰ উন্নয়নৰ কাৰণে কাম ধৰা আছিল শতকৰা ২৭ ভাগহে। উন্নয়নৰ নামত শতকৰা ২৭ ভাগ, বাকী দৰ্মহা আদিত শতকৰা ৭৩ ভাগ ব্যয় কৰিছিল। আজি কিন্তু ২০০৯-২০১০ চনত যি বাজেট এই বাজেটত দৰ্মহা আদিত ধৰিছে শতকৰা ৪৮ ভাগ টকা। বাকী অন্যান্য কামত দিছে। এতিয়া চাওক শতকৰা ২৭ ভাগৰ পৰা গৈ শতকৰা ৫২ ভাগ উন্নয়নৰ কামত দিব পাৰিছে। মুখ্যমন্ত্ৰী মহোদয়ে এই বাজেট ৰাজ্যখনৰ উন্নয়নৰ কাৰণে কৰিছে। গতিকে ইয়াৰ পৰা এইটোৱেই প্ৰতিপন্ন হৈছে যে এই বাজেটখন উন্নয়নমুখী বাজেট হৈছে। ইয়াৰ দ্বাৰা আমাৰ ৰাজ্যখনৰ সকলো দিশতে উন্নয়ন হ'ব আৰু হোৱাটো সম্ভৱ হ'ব। অধ্যক্ষ মহোদয়, হিন্দীত এষাৰ কথা আছে— "ঘোঁৰাই যদি ঘাঁহৰ লগত সম্বন্ধ কৰে ঘোঁৰা জীয়াই থাকে কেনেকৈ"। গতিকে বিৰোধী দলপতি

* Speech not corrected

আৰু সদস্য সকলে যদি চৰকাৰক গালি নাপাৰে তেনেহ'লে কি কৰিব? তেওঁলোকে সকলো জানি বুজিও, ৰাজ্যখনত উন্নয়ন দেখি শুনিও যদি ধৃতৰাষ্ট্ৰৰ দৰে যুধিষ্ঠিৰৰ সলনি দুৰ্যোজনকহে বেচি ভাল পায় তেনেহ'লে আৰু কি কৰিম। মই বেছি কথা নকওঁ কিন্তু এই বাজেট যে ৰাজ্যখনৰ উন্নয়নৰ কাৰণে কৰা হৈছে সেই ক্ষেত্ৰত কোনো দ্বিমত থাকিব নালাগে। কাৰণ অলপ আগতে মাননীয় বিধায়ক আনোৱাৰুল হকদেৱে যিটো কথা ক'লে তাৰ বাবে তেখেতক ধন্যবাদটো জনাইছোৱেই আৰু তেখেতৰ মুখত ফুল চন্দন পৰক বুলিও কৈছো। কাৰণ তেখেতে কৈছে যে আকৌ তৃতীয় বাৰৰ কাৰণে মাননীয় তৰুণ গগৈ মুখ্যমন্ত্ৰী হ'ব। আমিও আশাবাদী। কাৰণ ৰাজ্যখনৰ কাৰণ এখন উন্নয়ন মুখী বাজেট কৰি নানা দিশত ৰাজ্যৰ উন্নতি কৰাৰ পিছত আমি তৃতীয়বাৰৰ কাৰণে মাননীয় তৰুণ গগৈদেৱ মুখ্যমন্ত্ৰী হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাজ্যখনৰ আইন শৃঙ্খলাৰ পৰিস্থিতি সাধাৰণ আইন শৃঙ্খলাৰ পৰিস্থিতি হৈ থকা নাই। ইয়াৰ কাৰণে আমি আজি নতুনকৈ চিন্তা কৰিব লাগিব। উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতেকটো জনগোষ্ঠীয়ে একোটকৈ সংগঠনৰ জন্ম দিছে। গতিকে এই বিষয়টো বিশদভাৱে আলোচনা কৰাটো দৰকাৰ। আজি কি কাৰণত উগ্ৰপন্থী হোৱাৰ টেন্ডেনচি হৈছে সেইটো জানিব লাগিব। সেই কাৰণে এই বিষটো বিশদভাৱে আলোচনা কৰি এটা উপায় উদ্ভাৱন কৰাটো দৰকাৰ। পৰহি মাতমৰাৰ বান্ধ ভাঙি পানী সোমাইছে। মোৰ সমষ্টি মাজুলীটো দুটা ৰাস্তা চিগিছে। এতিয়া ৰাইজে ক'ব যে চৰকাৰেখনে কাম কৰা নাই কাৰণে বানপানী হৈছে। ফ্লাড প্ৰটেকচনৰ কাৰণে প্ৰায় ৭০০ কোটি টকাৰ কাম চলি আছে। এ, চি, এত ৪৯ স্কীম আছে। ২০০ কোটিৰ অন গোইয়িং স্কীম। আৰ, আই, ডি, এফত ৮০ কোটি

টকাৰ কাম চলি আছে। ঠিক তেনেদৰে মাজুলীত ১৪২ কোটি টকাৰ প্ৰজেক্ট নতুন টেক্‌নলজিৰে আৰম্ভ হৈছে। কাম আৰম্ভ হোৱাৰ পিছতে বানপানী হৈছে। এতিয়া ৰাইজে ক'ব ইমান টকা চেনচন হোৱাৰ পিছতো অসমত বানপানী সমস্যাৰ কিয় সমাধান হোৱা নাই। অধ্যক্ষ মহোদয়, অসমত আটাইতকৈ জটিল সমস্যা হৈছে বানপানীৰ সমস্যা এই বানপানীৰ কাৰণে অসমত বছৰি ১৫০০ কোটি টকা বছৰি লোকচান হৈছে। ইয়াৰ উপৰিও বহুটো ভূখণ্ড নদীৰ বুকুত বিলীন হৈ গৈছে। বহুটো ঘৰ-দুৱাৰ নদীত যাহ গৈছে। এইবিলাক হিচাব কৰিলে ক্ষয় ক্ষতিৰ পৰিমাণ আৰু বহুত হ'ব। মাননীয় সদস্য শ্ৰীভূৰন পেগু ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ ঠিক সময়মতে কাম আৰম্ভ কৰিব নোৱাৰাৰ কাৰণে অসময়ত বানপানী হৈ থাকে। নামনি অসমত ভূটানৰ বান্ধ ভাঙিলেই হওঁক বা আন যি কোনো কাৰণে নহওঁক কিয় অসমত বানপানীৰ ৰেকাৰিং সমস্যা আছে। সময়মতে কাম বিলাক নকৰা কাৰণে এইবিলাক সমস্যা হৈ আছে। কামৰ টেণ্ডাৰ ফেব্ৰুৱাৰী মাহতে দিয়া হয় যদিও কাম আৰম্ভ কৰোতে জুন মাহ পাইগৈ। সেই কাৰণে আমাৰ বাৰিষা কালত কাম কৰাৰ প্ৰৱণতাটো নাইকীয়া কৰিব লাগিব। আমি এটা কথাত ভাল পাইছো যে মাতমৰাত নতুন টেক্‌নলজি ব্যৱহাৰ কৰি কাম কৰিছে। বিভাগীয় মন্ত্ৰীয়ে এইক্ষেত্ৰত উদ্যোগ লোৱা কাৰণে ভাল পাইছো। সময়মতে কাম আৰম্ভ কৰাহেঁতেন ভাল ফল পালোহেঁতেন। সময়ত কাম আৰম্ভ নকৰা কাৰণে অসুবিধা হৈছে।

অধ্যক্ষ মহোদয়, মই এটা প্ৰস্তাৱ দাঙি ধৰিব খুজিছো যে চাৰি লাইন যুক্ত ৰাস্তা ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে নাই কাৰণে উত্তৰপাৰৰ ৰাইজে আন্দোলনমুখী মনোভাৱ লৈছে। আমি ভাবো ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে চাৰি লাইন যুক্ত ৰাস্তা হ'লে সুবিধা হ'ব।

তাৰ পৰা দুটা লাভ হ'ব। প্ৰথমতে নদীৰ পাৰৰ চৰ অঞ্চলৰ মূল্য বাঢ়িব আৰু দ্বিতীয়তে মাটি বিলাক কৃষিৰ উপযোগী হ'ব। ব্ৰহ্মপুত্ৰৰ দুই পাৰ ৰাস্তা হ'লে ব্ৰহ্মপুত্ৰটো এটা ৰিচোৰ্চ হ'ব। প্ৰাকৃতিক সৌন্দৰ্য্যই মানুহক অনাবিল আনন্দ দিব। আমি বিদেশত দেখিছো যে নৈৰ পাৰে পাৰে ধুনীয়া ধুনীয়া ৰাস্তাবিলাক। ভ্ৰমণকাৰীয়ে গৈয়েই ভাল পায়। আমাৰো ধুবুৰীৰ পৰা তিনিচুকীয়ালৈ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ধুনীয়া ৰাস্তা হ'লে সৌন্দৰ্য বাঢ়িব। শেষত আৰু এটা কথা মই ক'ব বিচাৰিছো। যে চৰকাৰে যি বিলাক কাউঞ্চিল গঠন কৰিলে সেই বিলাকৰ দ্বাৰা উন্নতি হোৱা নাই। মিচিং অটোনমাচ কাউঞ্চিল ১৯৯৬ চনতে হৈছিল যদিও আজিলৈ উন্নতি হোৱা নাই। আনহাতে তাত হোৱা দুৰ্নীতিৰ তদন্ত কৰিব লাগে। এইখিনি কৈয়ে মই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰীমহিবুল হ'ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰীৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই যিখন বাজেট উত্থাপন কৰিছে ২০০৯-২০১০ চনৰ কাৰণে সেই বাজেটখন সম্পূৰ্ণ উন্নতমানৰ বাজেট হিচাপে অভিহিত হৈছে। বিৰোধী পক্ষৰ সদস্যসকলে যি ধৰণে বিৰোধিতা কৰি সমালোচনা আগবঢ়াইছে সেইক্ষেত্ৰত তেখেত সকল বিফল হৈছে। বিৰোধী দলৰ দলপতি ডাঙৰীয়াই অৰ্থনৈতিক অৱস্থা সম্পৰ্কে কিছু কথা কৈছে। মই এটা কথা ক'ব বিচাৰিছো যে আমাৰ ৰাজ্যখন যেনেকৈ বিভিন্ন সমস্যাৰ মাজেদি আগবাঢ়ি গৈ আছে যেনে— উগ্ৰপন্থী সমস্যা, নিবনুৱা সমস্যা, বানপানী সমস্যা ইত্যাদি অনেক সমস্যাৰে আমাৰ ৰাজ্যখন জৰ্জৰিত হৈ আছে। এনেকুৱা সমস্যা সত্বেও মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈদেৱৰ নেতৃত্বত

---

* Speech not corrected

আগবাঢ়ি গৈ আছে। আমাৰ ৰাজ্যখনত কেন্দ্ৰীয় চৰকাৰে গ্ৰাণ্ট দিয়ে। নেচনেল ৰুৰেল হেলথ মিচন এই আঁচনিখন কেন্দ্ৰীয় চৰকাৰৰ আঁচনি। এই আঁচনিখনৰ জৰিয়তে গোটেই ভাৰতবৰ্ষতেই টকা দিছে। তেওঁলোকে এচিভমেণ্টৰ কাৰণে যি এনালাইচিচ কৰিছে তাত আমাৰ ৰাজ্যখন বাদ পৰিছে। এইবিলাক আলোচনা কৰিব লাগে। আমাৰ ৰাজ্যখন সন্ত্ৰাসবাদীৰ ভাবুকি, বানপানীৰ সমস্যা আদি সমস্যাৰে জৰ্জৰিত হৈ থকা পিছতো ৰাজ্যখন প্ৰগতিৰ পথত আগবাঢ়ি গৈ আছে সেইটোহে মন কৰিব লগা কথা। সকলোৰে জানে যে ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহেৰুক আৰ্কিটেক্ট অৱ মডাৰ্ণ ইণ্ডিয়া বুলি কৈছিল। ঠিক তেনেকৈ অসমৰ ভৱিষ্যত প্ৰজন্মইও আমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈক আৰ্কিটেক্ট অৱ আসাম বুলি ক'বলৈ বাধ্য হ'ব। আমাৰ ৰাজ্যখন অৰ্থনৈতিক দিশত আগবাঢ়ি আছে। অৰ্থনৈতিক ভাৱে যদি ৰাজ্যখন টনকিয়াল নহয় আৰু তেনেধৰণে আঁচনি গ্ৰহণ নকৰে তেতিয়া হ'লে ৰাজ্যখন আগবাঢ়ি যাব নোৱাৰে। আমি যদি আগৰ অৰ্থনৈতিক অৱস্থা পৰ্যাবেক্ষণ কৰিবলৈ যাওঁ তেতিয়া হ'লে আমি দেখা পাওঁ জনমূৰি ঋণ আছিল ছহেজাৰ আঠশ ন টকা আৰু বৰ্তমান সেই জনমূৰি ঋণ ছহেজাৰ পাঁচশ আশী টকালৈ হ্ৰাস পাইছে। আৰু ই গোটেই ভাৰতবৰ্ষৰ তুলনাত তৃতীয় সৰ্বনিম্ন। গোৱা, কেৰেলা, ত্ৰিপুৰা অৰুণাচল প্ৰদেশ আৰু আমাৰ চুবুৰীয়া ৰাজ্য পশ্চিমবঙ্গ, বঙ্গৰ জনমূৰি ঋণৰ বোজা ১৫ হেজাৰ ৪৭৬ টকা। পঞ্জাৱ যদিও উন্নত ৰাজ্য তাতো ২০৯৫ জনমূৰি ঋণৰ বোজা আছে। তাৰ তুলনাত আমাৰ ৰাজ্যখন অৰ্থনৈতিক দিশত বহুখিনি আগবাঢ়ি গৈ আছে। আমি দেখিছো যে শিক্ষা, জনস্বাস্থ্য, স্বাস্থ্য, কৃষি আদি বিভাগবিলাক আগবাঢ়ি গৈ আছে।

***শ্ৰীভূপেন কুমাৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি তিনিদিনৰ পৰা ক'বলৈ বৈ আছো সেই কাৰণে মোৰ এটা কবিতা গাবলৈ মন গৈছে—

"পল পল কৰি সময় গৈছে উৰি পাখি লগা কাড়ৰ দৰে"।

মই মহাপুৰুষ মাধৱদেৱৰ জন্মস্থানৰ বিধায়ক। সেইকাৰণে এফাকি ঘোষাৰে আৰম্ভ কৰিব বিচাৰিছো।

"অধমে কেৱল তোমাৰ নাম লয়"

মাধৱদেৱে কেলি গোপালত কৈছে যে— অসমৰ ভাষা সংস্কৃতিৰ নিৰ্মাতা হৈছে মহাপুৰুষ শঙ্কৰদেৱ। সাৰ পানী দিছিল মাধৱদেৱে।

মাননীয় স্বাস্থ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল যে লক্ষীমপুৰ চিভিল হস্পিতেলখন মিনি চিকিৎসা মহাবিদ্যালয়লৈ উন্নত কৰাৰ কথা চিন্তা কৰিছে। লক্ষীমপুৰৰ ৰাইজে এই কথাত পৰম আনন্দিত হৈছিল। মহিলাৰ বিশ্ববিদ্যালয় এখন স্থাপনৰ কথাও কৈছিল ইয়াৰ কাৰণে মন্ত্ৰী মহোদয়ক কৃতজ্ঞতা জ্ঞাপন কৰিছো। যদি লক্ষীমপুৰ চিভিল হস্পিতেল মিনি মেডিকেল কলেজ হয় তেতিয়া হ'লে ভাল পালোহেঁতেন। সেই সময়ৰ মাননীয় স্বাস্থ্যমন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মণ ডাঙৰীয়াই ৩০ খন বিছনা যুক্ত চিকিৎসালয়ৰ আধাৰ শিলা স্থাপন কৰিছিল। কিন্তু আজিলৈ কাম কৰা হোৱা নাই। অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া এজন সুদক্ষ ৰাজনীতিবিদ হিচাবে অসমৰ ভৱিষ্যত প্ৰজন্মৰ উন্নতিৰ কথা আগত ৰাখি এই বছৰ বাজেট নিৰ্দ্ধাৰণ কৰিছে। সীমান্ত উন্নয়ণৰ কাৰণে গুৰুত্ব নিদিয়াৰ কাৰণে অসম, অৰুণাচল, অসম নাগালেণ্ড সীমান্তৰ কাম বন্ধ হৈ আছে। এই বছৰ ৪০ কোটি টকা সীমান্ত উন্নয়নৰ কাৰণে বৃদ্ধি কৰা হৈছে।

---

* Speech not corrected

লক্ষীমপুৰ, অৰুণাচলৰ ৰাস্তা বনোৱাৰ কাৰণে কাম আৰম্ভ কৰিছে।

(মাননীয় সভাপতি মহোদয়ে আসন গ্ৰহণ কৰে)

মাননীয় সভাপতি মহোদয়, পিছ পৰা অঞ্চল বিলাকৰ কাৰণে অধিক টকা আৱন্টন দি অসমক স্থায়ী শান্তিত ৰাখিবৰ কাৰণে অধিক তৰান্বিত কৰিবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই যি পদক্ষেপ গ্ৰহণ কৰিছে সেই সন্দৰ্ভত ক'ব বিচাৰো যে তেখেত ৰাজনীতিজ্ঞ হিচাপে চিন্তা-চৰ্চা কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰিছে। ১৯৪৭ -৪৮ চনত অসম মেডিকেল কলেজ প্ৰতিষ্ঠা কৰা হৈছিল। এখন মেডিকেল কলেজ প্ৰতিষ্ঠা কৰিবলৈ ২০ বছৰ লাগিছিল। শিলচৰত মেডিকেল কলেজখন স্থাপন কৰিবৰ কাৰণে ১০ বছৰ সময় বাট চাব লাগিছিল। এইগৰাকী মুখ্যমন্ত্ৰীয়ে ২০০৮ চনত মেডিকেল কলেজ স্থাপন কৰি দক্ষ ৰাজনীতিৰ পৰিচয় দিয়া বাবে মই তেখেতক ধন্যবাদ জনাইছো।

মাননীয় সভাপতি মহোদয়, নতুন প্ৰজন্মৰ কাৰণে শিক্ষা ব্যৱস্থাটো উদ্ধত কৰি ভৱিষ্যতে প্ৰতিজনক সুনাগৰিক কৰি গঢ়ি তোলাৰ লগতে ভৱিষ্যতে সোণৰ অসম গঢ়িবৰ বাবে চেষ্টা কৰি আছে। যিবিলাক স্কুল জৰাজীৰ্ণ আৰু ভাল ফলাফল দেখুৱাইছে সেইবোৰ স্কুলত বিত্তীয় সাহাৰ্য্য দিছে। শিক্ষক, কৰ্মচাৰীসকলক দৰ্মহা বঢ়াই দিছে। আগতে শিক্ষক কৰ্মচাৰীসকলে মাহৰ পিছত মাহ ধৰি দৰ্মহা পোৱা নাছিল। এইজন ৰাজনীতিজ্ঞ মাননীয় মুখ্যমন্ত্ৰীৰ দিনত নিয়মিয়াকৈ দৰ্মহা পাবলৈ সক্ষম হৈছে। আজি বহুতে প্ৰশ্ন কৰিছে এই বাজেটৰ জৰিয়তে কিমান উপকৃত হ'ব। বিৰোধী দলৰ দলপতি মাননীয় সদস্য শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই সন্দেহ কৰে আৰু তেখেতৰ অৱকাশ

নোহোৱা হ'ব। মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই কৈছে যিখিনি সময়ত অসমৰ কৰ্মচাৰীসকলে দৰ্মহা পোৱা নাছিল এতিয়া তেখেতৰ দিনত নিয়মিয়া দৰ্মহা পাই আছে আৰু তিনিমাহৰ ভিতৰত দৰ্মহা আয়োগ গঠন কৰাৰ প্ৰতিশ্ৰুতি দিছে। যদিহে তিনি মাহৰ ভিতৰত দৰ্মহা আয়োগ গঠন নকৰে তেতিয়া কৰ্মচাৰীসকলে আন্দোলনৰ কাৰ্য্যসূচী ল'ব। এই কাৰ্য্যসূচীসমূহ উদ্দেশ্য প্ৰণোদিত হৈছে। অপ্ৰাদেশিক স্কুলৰ শিক্ষকসকলৰ দৰ্মহা বৃদ্ধি কৰা হ'ব নে নহয়? অসমৰ কিমানখন স্কুলত হেডমাষ্টৰ নাই। কিমানখন কলেজত প্ৰিঞ্চিপাল নাই তেনেকুৱা অৱস্থাতো আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অসমখনক সোণৰ অসম গঢ়াৰ সপোন দেখিছে। সেইবিলাক বাস্তৱত ৰূপায়িত নকৰিলে আধৰুৱা হৈ ৰ'ব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আঁচনি আছে, পৰিকল্পনা আছে। আত্ম বিশ্বাস আছে। তেখেতে কৈছে সৰুসুৰা কথাবিলাকত মন দিব নালাগে। মোৰ সমষ্টিত মেডিচিনৰ ডাক্তৰ এজন আছে, তেখেতে মেডিচিনৰ কাৰণে বাহিৰতো যায়। তাত মই দায়িত্ব ল'ব লগা হৈছে। সৰু সুৰা কথাবোৰ কেতিয়াবা ডাঙৰ হৈ যায়। ভেঞ্চাৰ স্কুলবিলাকৰ কথা কৈছে— স্থায়ী প্ৰিঞ্চিপাল স্থায়ী নিৰ্দেশ দিয়া কথা চিন্তা কৰিব লাগিব। বিৰোধী পক্ষৰ চিন্তাৰ বিপৰীতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিশেষ দৃষ্টি ভঙ্গীৰে অসমখনক চলাই নিয়াটো সকলোৰে বাবে মঙ্গলজনক হ'ব। অসমৰ কৃষি খণ্ডত কাম হৈছে যদিও অন্ধ্ৰপ্ৰদেশৰ দৰে হোৱা নাই। অন্ধ্ৰপ্ৰদেশত খেতিয়কে খেতি পথাৰলৈ গ'লে লগত ম'বাইল ফোন লৈ যায়। আমাৰ অসমত সিমান খিনি হোৱা নাই। পঞ্জাৱত ট্ৰেক্টৰ চলাই পথাৰত কাম কৰে আবেলি মাৰুতি লৈ পৰিয়ালসহ ফুৰিবলৈ যায়, ধাবাত খায়। আমাৰ অসমতো সেইটো হোৱাটো বিচাৰিছে। জলসিঞ্চন

বিভাগটোত তিনি কোটি টকা বৃদ্ধি কৰি জলসিঞ্চন উন্নত হোৱাটো বিচাৰিছে। আমি কিমান খেতিয়কক জলসিঞ্চনৰ সুবিধা দিব পাৰিম সেইটো আমি হিচাব কৰি চাব লাগিব। অসমৰ ৮০ ভাগ মানুহ গাঁৱত বসবাস কৰে। কৃষকৰ খেতি উৎপাদন বৃদ্ধি কৰিবৰ বাবে জলসিঞ্চনত সৰ্বাধিক গুৰুত্ব দিব লাগিব। দেশত শান্তি আনিবৰ বাবে পুলিচ বিভাগটোত যিমান টকা খৰছ কৰিছে সিমান শান্তি অহা নাই। কাৰণ পেটত ভোক থাকিলে শান্তি কেনেকৈ আহিব। গতিকে পেটৰ ভোক প্ৰথমে নাইকিয়া কৰিবই লাগিব। জলসিঞ্চন, কৃষিখণ্ড ওপৰত সৰ্বাধিক চকু দিব লাগে। কেৱল সমালোচনা কৰিলে নহ'ব। হাতে কামে কৰিব লাগিব। পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী জ্যোতি বসু ডাঙৰীয়াই ৰাজনীতি জীৱনৰ পৰা অৱসৰ লোৱাৰ দৰে আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও ভাৰত চৰকাৰৰ দিনত সন্যাস লোৱাত অধিষ্ঠিত হোৱাত সুযোগ পাব।

(অধ্যক্ষই আসন গ্ৰহণ কৰে)

মাননীয় অধ্যক্ষ মহোদয়, আজি শক্তি খণ্ডত মই দেখিছো যে কিছুমান সৰু সৰু কথা। আজিৰ পৰা কিছুদিনৰ আগতে ট্ৰেন্সফৰমাৰ পাইছো। আগতে আমি দুবছৰ ধৰি ট্ৰেন্সফৰমাৰ পোৱা নাই। আজি মই নিবেদন জনাম যে ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুৎতিকৰণৰ কাম চলি আছে। লগে লগে বিধায়কসকলেও অসম বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। আজি পি.এম.জি. ওৱাই. ত যথেষ্ট কাম হৈছে। আজি মোৰ সমষ্টিত মই নিজে কাম লৈছিলো। তেতিয়া ইঞ্জিনিয়াৰ এজনে কৈছিল পাঁচ বছৰ কাৰ্য্যকালত ২০০ কিলোমিটাৰ কাম কৰিলে। এইখিনি কথা মই মিটিঙত ক'বলৈ সাহস কৰা নাছিলো। তিনিটা বছৰত ১৮০ কিলোমিটাৰ ৰাস্তা সম্পূৰ্ণ কৰিলে ৩৬ টা পকী দলং বনাবলৈ সক্ষম হৈছে। কিন্তু মই কংগ্ৰেছ দলৰ বিধায়ক হিচাপে

এটা কথাত দুখ পাইছো এনেকুৱা কিছুমান ঠিকাদাৰ আছে তেওঁলোকে কৰা কাম বিলাক বেয়া হোৱা কাৰণে জিলা উপায়ুক্তই কৈছে যে তেখেতে কৰা কামবিলাক বেয়া হৈছে তেখেতক ব্লেকলিষ্ট কৰিব লাগে। এই ব্লেক লিষ্টৰ কথাটো পুনৰাই বিবেচনা কৰিব লাগে। এই বিষয়ে চিন্তা কৰা হৈছে। আজি মই ২০০ কিলোমিটাৰ কাম পাইছো, ঠিকাদাৰৰ কাম চাবৰ কাৰণে মই বিধায়ক এজন হৈ কিমান সময় ৰাস্তাত থিয় হৈ থাকিম। কামটো ঠিকাদাৰক দিয়াৰ আগতে চিন্তা কৰি ভাল ঠিকাদাৰক দিবৰ কাৰণে বিভাগীয় মন্ত্ৰী মহোদয়ক জনাবৰ কাৰণে নিবেদন জনাইছো। ধেমাজি আৰু বিহপুৰীয়া সমষ্টিত কাম দিয়া হৈছে তাত ২০০ কিলোমিটৰ কাম কৰা কাৰণে পইচা পোৱা হৈছে। যদিহে ভাল ঠিকদৰক দিয়া নহয় তেতিয়া কামবোৰ বেয়া হয়। মই মাননীয় মন্ত্ৰী মহোদয়ক নিবেদন জনাম কাম দিয়াৰ আগতে টেপৰেকৰ্ড কৰে। কামবিলাক উন্নত কৰা ক্ষেত্ৰত পুনৰ নিৰীক্ষণ কৰা সময় সমাগত হৈছে। এটা সমষ্টিত ২০০ কিলোমিটাৰ কাম চলে। মন্ত্ৰী মহোদয়ে কিমান চাব। পি, ডব্লিউ ডিয়ে নিজে নিয়ন্ত্ৰণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিধায়িকা বাইদেউক ক'বলৈ সময় দিব লাগে।

* **শ্ৰীভূপেন কুমাৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি চি. আৰ. এফ.ত যিখিনি পাইছো এই সম্পৰ্কে মাননীয় সদস্য শ্ৰীভূবন পেগু আৰু শ্ৰীৰাজীৱ লোচন পেগু ডাঙৰীয়াই ইতিমধ্যে কৈয়ে গৈছে। গতিকে মই আৰু এই বিষয়ে ক'বলৈ নাযাও। মাননীয় অধ্যক্ষ মহোদয়, আজি মাতমৰা বান্ধ সম্পৰ্কে সমালোচনা কৰাৰ সময় এতিয়াও হোৱা নাই। বিদেশত যদি এই কোম্পানীয়ে নদী নিয়ন্ত্ৰণ কৰিব পাৰে তেতিয়াহ'লে আমাৰ অসমতো হ'ব লাগে।

* Speech not corrected

মন্ত্ৰী মহোদয়ে কৈছে যে এতিয়া পৰীক্ষা নিৰীক্ষা চলাই থকা হৈছে। গতিকে এতিয়াও মাতমৰা মথাউৰি সম্পৰ্কে সমালোচনা কৰাৰ সময় অহা নাই। মাতমৰা মথাউৰিৰ বাবে যিবোৰ চফিষ্টিকেটেড্ যন্ত্ৰপাতি ব্যৱহাৰ কৰা হৈছে তাৰ বাবে মন্ত্ৰী মহোদয়ক আমি আদৰণি জনাইছো। ইতিমধ্যে মাতমৰা মথাউৰিৰ নামত কোটি টকা পানীত পেলোৱা হৈছে বুলি সমালোচনা তথা বাতৰি প্ৰকাশ হৈছে। আজি যদি দিল্লীত মেট্ৰো ৰেলৰ বাবে কোটি কোটি টকা খৰছ কৰিব পাৰে, কলকাতাত মেট্ৰো ৰেলৰ নামত কোটি কোটি টকা খৰছ কৰিব পাৰে তেতিয়াহ'লে আমাৰ অসমত মাতমৰা মথাউৰিৰ নামত ১৫০ কোটি টকা পানীত পেলালেও একো নহয়। ইয়াৰ আগতেও কোটি কোটি টকা মথাউৰিৰ নামত পানীত পেলোৱা হৈছে। অসমৰ ৰাইজৰ জীৱন আৰু সা-সম্পত্তিৰ কথা ইয়াত জড়িত হৈ আছে। বনপানী নিয়ন্ত্ৰণৰ বাবে যদি পৰীক্ষা-নিৰীক্ষা কৰিবলৈ আৰু এশ কোটি টকা পানীত পৰে পৰিব দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বানপানী আৰু গড়াখহনীয়া নিয়ন্ত্ৰণ কৰাৰ বাবে যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে তাৰ বাবে মই তেখেতক আদৰণি জনাইছো। মাননীয় মন্ত্ৰী মহোদয়ে এই বিভাগৰ দায়িত্ব লৈয়ে সমষ্টিয়ে সমষ্টিয়ে চৰজমিন কৰাৰ যি ব্যৱস্থা কৰিছিল সেই ব্যৱস্থা আগলৈকেও অব্যাহত ৰাখিব বুলি মই আশা ৰাখিলো। আজি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কাৰ্বি আংলং আৰু কোকৰাঝাৰত স্বায়ত্ব শাসিত পৰিষদ গঠন কৰি দিয়াৰ ফলত অঞ্চলসমূহৰ কাম যিদৰে তৰান্বিত হৈছে ঠিক তেনেদৰে মিচিং, দেউৰী , তিৱা, সোণোৱাল কছাৰী আদিৰ বাবেও স্বায়ত্ব শাসিত পৰিষদ গঠন কৰি দিয়া হৈছিল। আজি এই পৰিষদসমূহে পৰৱৰ্তী ব্যৱস্থা গ্ৰহণৰ বাবে সময়মতে

নিৰ্বাচন অনুষ্ঠিত কৰা হয় তাৰ বাবেও মই নিবেদন জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আজি আপোনালোক সকলোৱে জানে যে নীপ্‌কোৱে পানী এৰি দিয়াৰ ফলত মোৰ সমষ্টিৰ বিভিন্ন অঞ্চলত খেতি-বাতি, ঘৰ-দূৱাৰ আদি নষ্ট কৰি পেলাইছে। এইবাৰ বাজেটত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দিক্ৰং নৈৰ বান্ধৰ বাবে টকা ধাৰ্য্য কৰাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু আমাৰ মাননীয় প্ৰধান মন্ত্ৰী মহোদয়েও এই বিষয়ে চিন্তা চৰ্চা কৰাৰ বাবে মই তেখেতকো ধন্যবাদ জনাইছো। ইয়াৰ পিছত মই মাধৱদেৱ কলাক্ষেত্ৰৰ বাবে পুঁজি ধাৰ্য্য কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক নিবেদন জনালো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৃষিৰ ক্ষেত্ৰত, জলসিঞ্চনৰ ক্ষেত্ৰত, স্বাস্থ্য আদি ক্ষেত্ৰত যি ধৰণে উন্নতি সাধন কৰিছে, এইদৰে যদি উন্নতি সাধন কৰি গৈ থাকে তেতিয়াহ'লে তেখেতেও এদিন জ্যোতি বসুৰ দৰে হ'ব। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰীমতী বিথিকা দেৱ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমেই আপোনাক আমি ধন্যবাদ জনাচ্ছি আমাকে এই সদনে কিছু বলার সুযোগ দেওরার জন্য। এখানে অনেক বক্তাই নিজের নিজের মত প্রকশ করে গেছেন। আমি সেইজন্য বেশী কিছু বলবো না। শুধু কয়েকটা point এর উপর কিছু বলতে চাই।

প্রথমেই আমি ধন্যবাদ জনাচ্ছি মুখ্যমন্ত্রীকে উনি SC/ ST/ OBC সমাজে যারা নিচু স্তরের মানুষ আছে ওদের উন্নতির কথা চিন্তা করার জন্য। এই বাজেটে এবার SC / ST র উন্নতির জন্য অনেক Scheme ধরা হয়ছে। সেটা খুবই সুশীর বিষয়। তাবপর মহিলাদের উন্নতির জন্য অনেক স্কিম ধরা হয়েছে। সেটা খুবই সুন্দর। সেইজন্যও আমি মুখ্যমন্ত্রীকে ধন্যবাদ জানাচ্ছি।

যে সমস্ত মহিলারা ২০/২১ বৎসর হয়েছে অথচ অবিবাহিতা তাদের জন্য দই হাজার টাকা এককালিন সাহায্য দেওয়ার জন্য আমি মুখ্যমন্ত্রীকে ধন্যবাদ জনাচ্ছি। আমাদের সমাজে যারা Unemployed মহিলারা আছেন তারা এই বাজেট থেকে অনেক উপকৃত হবেন।

এইবার State Govt. Enployee দের Salary র বিষয়ে বলবো। আমাদের বিরোধী দলপতি এই কথা বলার পর Treasury Bench থেকে উনাকে জিজ্ঞেস করা হয়েছিল যে 'আপুনি ভাল পোৱা নাই নেকি'। জবাবে যদিও বলেছেন – 'আমি ভাল পাইছো'। কিন্তু আমার সন্দেহ আছে ভাল পাইছে কি না। আমার তৃতীয় Point হলো Budget এ মাননীয় মুখ্যমন্ত্রী Women's University করা হবে বলে উল্লেখ করেছেন। এই প্রসঙ্গে আমি মুখ্যমন্ত্রীকে অনুৰোধ জানাচ্ছি। বরাক ভেলিতে অনেক গ্রামের meritorious মেয়ে আছে যাদর বাইরে গিয়ে উচ্চশিক্ষা নেওয়ার ক্ষমতা নেই। যদি বরাক ভেলিতে Women University একান্ত হয় তাহলে আমরা অনেকদিক থেকে উপকৃত হব।

প্রত্যেক গ্রামে গঞ্জেও একটা করে Health Centre দেওয়া হবে এবং ডাক্তরদের জন্য Qtr. ও বাচ্চাদের জন্য School ও দেওয়া হবে আমাদের স্বাস্থ্যমন্ত্রী বলেছেন। সেইজন্য আমি মুখ্যমন্ত্রী মহোদয়কে আন্তরিক ধন্যবাদ জানাচ্ছি। প্রত্যেক Health Centre এ ডাক্তার এবং Nurse থাকবে। এবং গ্রামের মানুষের শহরে আসার প্রয়োজন হবে না । ওরা সবদিক থেকেই ডাক্তারদেৰ সাহায্য পাবে।

আমাদের মহিলার আজকাল কি না পারেন। আমার মহিলার রাষ্ট্রপতি, Speaker থেকে আরম্ভ করে জিলাপরিষদ Chairman, Municipality প্রতিটি স্থানে যে প্রতিভার পরিচয় দিয়েছেন।

আর একটা কথা। Fire Brigade এর কথা আমরা মুখ্যমন্ত্রীকে Demand দিয়েছিলাম। আমাদের Fire Station টা Up grade করার জন্য। কিছু দিন পূর্বে শিলচর বাজারে ভয়ানক অগ্নিকাণ্ড হয়েছিল। এই আগুণ নিভানোর জন্য Air Force থকে Foaming মেশিন আনতে হয়েছে। আমাদের এখানে ইহার কোন ব্যৱস্থা নাই। ষ্ট্রম ওয়াটার ড্রেনিজ স্কিম করার জন্য আমরা মুখ্যমন্ত্রীকে একটা চিঠি ও দিয়েছিলাম। কিন্তু ইহার কোন উত্তর পাইনা। আমি মুখ্যমন্ত্রীকে অনুৰোধ করছি। আমাদের মুখ্যমন্ত্রী যদি এর ব্যৱস্থা করতে পারেন তাহলে খুবই আনন্দিত হবো। আমাদের বরাক ভেলিতে বাস্তাঘাটের অবস্থা খুবই খারাপ। যদি এই ৰাস্তাঘাট যদি সময়মত করা না হয় তাহলে আরও খারাপ হয়ে যাবে। এই ব্যাপারে আমি মাননীয় মুখ্যমন্ত্রী মহোদয়কে অনুৰোধ করছি।

এই বলে আমি আমার বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই উত্তৰ দিব।

* **শ্ৰীতৰুণ গগৈ (মাননীয় মুখ্যমন্ত্ৰী, অসম)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ ২২ জন বিধায়কে বাজেটৰ ওপৰত হোৱা আলোচনাত অংশগ্ৰহণ কৰিছে। মাননীয় বিধায়ক শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া, শ্ৰীচিৰাজউদ্দিন আজমল ডাঙৰীয়া, শ্ৰীঅনন্ত ডেকা ডাঙৰীয়া, শ্ৰীঅভিজিৎ হাজৰিকা ডাঙৰীয়া, শ্ৰীকমল সিং নাৰ্জাৰী ডাঙৰীয়া, শ্ৰী ৰাজু চাহু ডাঙৰীয়া, শ্ৰীৰাজীৱ লোচন পেগু ডাঙৰীয়াকে আদি কৰি আটাইকেইজন মাননীয় বিধায়কক মই ধন্যবাদ জনাইছো। আমাৰ বিধায়কসকলে বিভিন্ন বিষয়ৰ সমস্যাৰ কথা ইয়াত আলোচনা কৰিছে। অসমৰ বহুতো সমস্যা আছে। আজি আমাৰ অৰ্থনৈতিক অৱস্থাই হওঁক, আমি যিমান পাৰো সিমান আমাৰ সীমিত চৰ্চাৰ মাজেৰে এখন বাজেট কৰিব খুজিছো,

* Speech not corrected

যাৰ দ্বাৰা আমি সকলো মানুহকে চুই যাব পাৰো। সকলো শ্ৰেণীৰ ৰাইজৰ প্ৰতি গুৰুত্ব দি বাজেট প্ৰস্তুত কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আজি কোনে ভাৱিছিল যে কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত আমাৰ কৰ্মচাৰীসকলে দৰ্মহা পাব। আজি আমি উন্নয়নৰ এটা অৱস্থাত আহি উপনীত হৈছো। আমাৰ কৰ্মচাৰী সকলক আজি কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত দৰ্মহা দিবলৈ সেয়ে আমি সক্ষম হৈছো। ভৱিষ্যতেও যাতে কৰ্মচাৰীসকলে এইধৰণে দৰ্মহা পায় তাৰ বাবে আমি চেষ্টা কৰিম। বৰ্তমান আমাৰ বহুতো সমস্যা আছে। সকলোৰে সহযোগীতা লাগিব তেহে আমি আগবাঢ়ি যাব পাৰিম। আজি আমি অৰ্থনৈতিক দিশত আগুৱাই গৈছো। ২০০১ চনত যেতিয়া আমি শাসনৰ দায়িত্ব লৈছিলো, সেই সময়ত অসমৰ অৰ্থনৈতিক অৱস্থা অতি বেয়া আছিল। এতিয়া কি হ'ল? জি, ডি, পি, শতকৰা ৬.৪ ভাগ আছিল। ২০০৯ ত চাইনাত কমিল, ভাৰতবৰ্ষত কমিল। টেক্স কলেকশ্যন কমিছে। তাৰ তুলনাত শতকৰা ছয় ভাগ গ্ৰ'থ পাম বুলি আমি আশা কৰিছো। আজি আমি সেইধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছো। আগতে প্লেনিংত আছিল ১৫২০ কোটি টকা, এতিয়া হৈছে ৫৫০০ শ কোটি টকা। এইটো বিগ জাম্প। আমাৰ গোটেই টকাটো উন্নয়নত যাব। এই বাজেটখনক যদি উন্নয়নমুখী বাজেট বোলা নহয়, মোৰ ক'বলগীয়া একো নাই। এইখন এখন ডেভেলপমেণ্ট অৰিয়েণ্টেড বাজেট। বছৰে বছৰে যদি আপোনালোকে চায় দেখিব সামগ্ৰিকভাৱে গ্ৰথ বাঢ়িছে। আজি অৰ্থনৈতিক অৱস্থা ভাল নোহোৱা হ'লে এয়া সম্ভৱ নহ'লহেঁতেন। ২০০৭-২০০৮ত আমি বহুখিনি গ্ৰ' কৰিছো। ২০০১ ত ২৬,৮১৪ কোটি টকা আছিল। তেতিয়া হ'লে চাওঁক ওপৰলৈ গৈছে নে তললৈ গৈছে। টেক্স কালেক্সশ্যন ২০০২ ত ১৪১০ কোটি টকা

আছিল। ২০০৩ ত ৪০২০ কোটি টকা। আমাৰ নিজৰ সম্পদৰ পৰা। আমি কেন্দ্ৰৰপৰা বহুত টকা আনিছো। বহুতে ক'ব খোজে কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল। কেন্দ্ৰৰ পৰা বেছিকৈ আনিছো। তাত বেয়া পাবলগা কি আছে? আমাৰ ৰিৰ্চচ বাঢ়িছে। টেক্স কালেক্সশ্যন আগতে আছিল দহ হাজাৰ, এতিয়া ১৬.৬৪ হৈছেগৈ। আমি বহুখিনি আগবাঢ়িছো আৰু বহুতো আগবাঢ়িব লাগিব। আমি পঞ্চায়ত ও গ্ৰামোন্নয়নৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছো। যেতিয়া কেন্দ্ৰৰ এন, ডি, এ চৰকাৰ আছিল, সেই সময়ত পাইছিলে মাত্ৰ ১৩৬১। এতিয়া পাইছে ১১,২৯৪ টকা। আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আনিছো। আমাৰ ষ্টেট চেয়াৰ দিব পৰা নাছিলো। ৰিৰ্চচ কম থকাৰ কাৰণে। এনেদৰে চালে দেখিব যে এইখন ব্যুৰক্ৰেটিক বাজেট নহয়। ব্যুৰক্ৰেটিকে কেন্দ্ৰৰ সমহাৰত দৰ্মহা দিবলৈ ক'ব নেকি? ৰিক্সাৱালা, ঠেলাৱালাৰ উন্নয়নৰ কথা ক'ব নেকি? আমি শিপিনীৰ কাৰণে চিন্তা কৰিছো। শিক্ষকৰ কাৰণে চিন্তা কৰিছো। যি সকল আন অৰ্গেনাইজড ৱৰ্কাৰ আছে, যি সকলে ষ্ট্ৰাইক নকৰে তেওঁলোকৰ কাৰণেও আমি চিন্তা কৰিছো। আমি আকৌ কৈছো আজি শিক্ষাৰ ক্ষেত্ৰত অতি গুৰুত্ব দিছো। আজিকালি সকলোকে শিক্ষাৰ দৰকাৰ। কাৰপেণ্টাৰক শিক্ষা লাগে। ৰান্ধনিক শিক্ষা লাগে। সকলো ক্ষেত্ৰতে আজিকালি শিক্ষাৰ প্ৰয়োজন। আজি আমাৰ চৰকাৰে কি ধৰণৰ শিক্ষাৰ ব্যৱস্থা কৰিব পাৰে তাৰে চিন্তাচৰ্চা কৰি আছে। এই ক্ষেত্ৰত দিল্লী বিশ্ববিদ্যালয়ৰ উপাধ্যক্ষৰ লগতো মই আলোচনা কৰিছো। আজি আমাৰ প্লেনিংৰ দৰকাৰ।

অধ্যক্ষ ডাঙৰীয়া, আজি বিভিন্ন ধৰণে ভৱিষ্যতৰ কাৰণে প্লেনিং কৰিছো। ৫/১০ বছৰ আগতে আছিল, এইটো কেতিয়াও সমাধান হ'ব নোৱাৰে। যিবিলাক ব্যৱস্থাৰ দ্বাৰা যাতে ভৱিষ্যতে

অসমখনক উন্নতিৰ পথত আগুৱাই নিব পাৰি এইটো লক্ষ্য আমি ৰাখিছো। বহুতে ক'ব যে পলিটিকেলি আৰু ইকোন'মিকেলি ইন্ চেম। প'লিটিকচ কিয় কৰিব লাগে। ইকোন'মিক ডেভলাপমেণ্টৰ কাৰণে কৰিব লাগে, দুখীয়া মানুহক সহায় কৰিবৰ কাৰণে। কোনোবাই ক'ব পাৰে ৰেভিনিউ এক্সপেনডিচাৰ বাঢ়িব পাৰে। কেপিটেল এক্সপেনডিচাৰ বাঢ়িব পাৰে। ষ্ট্ৰিকটলি ইকোন'মিক থিয়ৰি বুলি কয়। মই সেইটো ফলো নকৰো। মই দিল্লীৰ স্কুলচ অব ইকোন'মিকচৰ লগত আলোচনা কৰিছো বা অন্যান্য ইকোন'মিষ্টৰ লগতো আলোচনা কৰিছো। তেওঁলোকে কৈছে যে ঠেলাৱালা, ৰিক্সাৱালা, মহিলা সকলক সুতা দিলে ইকোন'মিকচ নহয়। ইকোন'মিক প'লিটিক মিকস্আপ হৈ থাকে। সেই কাৰণে সেই ধৰণৰ কন্‌চেপ্ত লৈ কাম কৰিবলৈ ওলাইছো। মাননীয় সদস্য পাটোৱাৰী ডাঙৰীয়াই বহুত কথাই কৈছে, কিন্তু কিছুমান কথা উল্লেখ নকৰিলে। মই গোটেইখিনি কৈ দিম (ভইচ ঃ পাছ কৰি লৈছে নেকি) পাছ কৰা নাই, লোন লৈছে, কেগে কৈছে ২৬ পেজ। Economic social and political aspects should be mixed up to develop our state. The fiscal position of the state viewed interims of key fiscal parameters showed a significant improvement as the state has been able to maintain revenue, fiscal and primary surpluses during 2005-2006, 2006-2007 and 2007-2008. The state has achieved the targets for revenue and fiscal deficit as well as with other variables as laid down in FRBM etc. .......... Moreover, the state has achieved these fiscal targets earlier than the timeline indicated in the with the current year ending in revenue and fiscal surpluses.... . এইটো

কেগৰ কথা, পাটোৱাৰী ডাঙৰীয়াৰ নহয়। Revenue receipt to GSDP ratio in 2007-2008 was 21.08% as quoted by shri C. M. Patowary from CAG Report. It is true. But in 2002-2003 that ratio was only 15.68%. I have painstakingly raised the ratio to 21.08% and this has increased every year.

It has also been alleged that the percentage of revenue expenditure to total expenditure has increased and that of capital expenditure has decreased. The same CAG report has clearly mentioned that the percentage of revenue expenditure to total expenditure has decreased successively from 81.78% in 2002-2003 to 87.44% in 2007-2008. On the other hand the percentage of capital expenditure has increased from 6.64% to 11.70% during the same period.

In social sector expenditure has increased by more than 80% from Rs. 2919cr. In 2002-2003 to Rs. 5223 Cr. in 2007-2008. More importantly, our capital expenditure in social sector has increased by twelve timed during the same period from a meager Rs. 22 cr. to Rs. 266 Cr. এইটো পেজ তেখেতে নপঢ়িলে (ভইচ ঃ তেখেতে চশমা কপালৰ ওপৰত ৰাখে কাৰণে নেদেখিলে।) সেইটো নহয়। তেখেতে কেতিয়া বেছি দেখে। বেয়াটো বেছিকৈ দেখে, ভালটো কম দেখে। পাটোৱাৰী ডাঙৰীয়াই ৰেভিনিউ ৰিচিপ্তৰ কথা কৈছে। আগতে ২১ শতাংশ আছিল এতিয়া ১৫ শতাংশলৈ কমিছে।

সেইটো তেখেতে নকলে। ২০০২-২০০৩ জি, এছ, ডি, পি, আগতে আছিল ২০ শতাংশ, এতিয়া ১৫.৬৮ শতাংশ বাঢ়িছে। যদি আমি চাবলৈ যাওঁ ৰেভিনেউ এক্সপেন্‌ডিচাৰ বাঢ়িছে আৰু কেপিটেল এক্সপেনডিচাৰ কমিছে। এইটো মই কোৱা কথা নহয়। কেগে কৈছে— We are in upward trend এইটো মই লাহে লাহে কমাই আনিছো। এইটো কেগৰ ৰিপোৰ্ট, গোটেই ৰিপোৰ্টটো দি দিম। Unutilised fund will not be lapsed. The fact is that most the savings are against centrally sponsored schemes of ACA or HLCPR etc. A considerable portion of central releases against these schemes come towards last part of the year. As a result, they are carried forward over to the next financial year, where as the entire receipts are included in the Previous year's Budget. In the experditure side a considerable portion has to be budgeted again in the next financial year. এই পাৰ্টটো হয়, এইটো বাঢ়িছে, কিন্তু ডিক্রিজো হৈছে। এইটো মোৰ ৰিপৰ্ট নহয়। ২৭ পেজত আছে। আকৌ দিছে। ছচিয়েল চেক্টৰত এলোকেশ্বন বহুত বাঢ়িছে। ১৯ ৰ পৰা গৈ ২০০৯ চনত ২৮ শতাংশ হৈছে। ২০০২-২০০৩ চনত এলোকেশ্বন দুই হাজাৰ ন শ এঘাৰ আছিল। এতিয়া ৫ হেজাৰ ২শ ২৩ কোটি টকা হৈছে। ছচিয়েল চেক্টৰত দুখীয়া মানুহৰ এলোকেশ্বনৰ কাম বাঢ়িছে। আমাৰ দিনত ৫ হেজাৰ ২শ ২৩ কোটি টকা বাঢ়িছে। কেপিটেল এক্সপেন্‌ডিচাৰ ইন ছোছিয়েল চেক্টৰ ইনক্রিজ হৈছে। ২৬৬ কোটি টকা হৈছে। আনইউটিলাইজ ফাণ্ড লেপচ হৈ নেযায়। দ্বিতীয় বছৰত দি দিব লাগে। ডেফিচিট বাঢ়ি আছে। বহুতে এই কথাটোও কয় যে ইকোনমিকচত এই চিটুৱেশ্যনত

ডেফিচিট বঢ়াটো বেয়া নহয়। টাইমচ অব ইণ্ডিয়া পঢ়িলে দেখিব, এক্সপেন্ডিচাৰ বাঢ়িব লাগিব। বৰোউইঙ ল'ব লাগিব। এইটো ল'ব নালাগে বুলি কয়, ইয়াৰ কেপাচিটি ফিক্স কৰি ৰিজার্ভ বেংকে দিয়ে। আপোনালোকে কৈছে ল'ব নালাগে, মই কৈছো আৰু লম। আৰু ল'লে আৰু ডেভ'লপ হ'ব। আমাৰ অসমৰ মানুহৰ এটিচুড বেয়া। লোন ল'বলৈ নিবিচাৰে। লোন লোৱা হৈছে যদিও প্রপাৰলি ব্যৱহাৰ হৈছে। ইয়াত দেখিব, কেগৰ ৰিপোর্ট চাব। আমি যিমান টকা লোন লৈছো, ৰিপেমেণ্ট কৰি আছো। আগৰ লোনৰ ৰেভিনিউ ৰিচিপ্ট বাঢ়িছে। আমি যি টকা লৈছো সেইটো আমাৰ কেপাচিটি আছে। আমি লোন মাৰি আছো। আপোনালোকে কৈছে ৰেভিনিউ ৰিচিপ্ট বাঢ়িছে। ৰেভিনিউ ৰিচিপ্ট, ষ্টেট ৰিচোছ বাঢ়িছে। চেণ্ট্রেলৰ পৰা পোৱাও বাঢ়িছে। চেণ্ট্রেলৰ পৰা বেছি পোৱা নাই বুলি কোৱা নাই।

In 2007-08, 38% of revenue receipt was state's own resources, the balance 52% being Central grants and other transfers from the Center. During my tenure both state's own resources and central transfers have increased. From 2000-01 to 2007-08 states own resources has increased almost three times from Rs. 1937 crores to Rs. 9831 crores. State as well as Central resources have been on the rise.

মাননীয় অধ্যক্ষ ডাঙৰীয়া , Even more important in the report of CAG that our Financal assests liabilities ratio, which was less than one and 0.81% in 2002-2003 has improved to more that 1 i.e. 1.12% in 2007-2008.

২০০১ চনত আছিল ১৯৩৭ কোটি টকা। এতিয়া হৈছে—

৫৪৯৪ কোটি টকা। ষ্টেটৰ ৰিছোৰ্চৰ লগতে একেধৰণে চেন্ট্ৰল ৰিছোৰ্চো বাঢ়িছে। আমাৰ এতিয়া ৩০৭১ পৰা ৯৮৩১ কোটি টকা বাঢ়িছে। কেগৰ ৰিপোৰ্টত কৈছে যে— ষ্টেট ৰিছোৰ্চো বাঢ়িছে। During 2007-2008, in view of the large cash balances, the focus of the Government seems to be on discharging the past debt obligations both on account of Principal and interest payment on loan raised from the marked as well as from Govt. of India. তাৰ পিছত তেওঁলোকে কৈছে— লাইবেলিটি আৰু এচেষ্ট কিমান হ'ব। আপোনালোকে কৈছে ধাৰ কেনেকৈ মাৰিব। কেগৰ ৰিপোৰ্টত আছে। এইটো মোৰ কথা নহয়। কেগৰ ৰিপোৰ্ট। ফাইনেনঞ্চিয়েল লায়েবিলিটিৰ কথা কৈছে। Indicates that the state is moving towards debt stabilization which in turn may improve the debt sustainability of the state.

১ শতাংশ তলত থাকিলে বেয়া। Govt. of India has informed the State govt. that the matching state share totalling to Rs. 47.17 crore is to be released by the State Govt. against the modernization scheme for the years 2000-2001 to 2002-2003. accordingly the State Govt. released the entire past liability amount of Rs. 47.17 crore on 10-1-2008. It is mentioned in CAG report. আমি পইচা কেনেকৈ ধাৰ মাৰিছো সেই কথাটোও কৈছে। আমাৰ যি পইচা আছে তাৰ সদ্ ব্যৱহাৰ কৰিছো। আমি পইচা অপব্যৱহাৰ কৰা নাই। আমি ষ্টেট প্ৰগ্ৰেছ কৰিব নোৱাৰো বুলি তেখেতসকলে

কৈছে। প্ৰত্যেক কামলৈ যদি চাওঁ ইকোনমিক মেনেজমেণ্ট ভাল বুলি ক'ব লাগিব। এজন মাননীয় সদস্যই কৈছে যে ফাগু পজিচন ভাল নহয়। যি কেইখন মেডিকেল কলেজ আছে তাৰেই কাম হোৱা নাই নতুন মেডিকেল কলেজৰ কি কাম কৰিব। আমাৰ তিনিখন মেডিকেল কলেজ হৈ গৈছে। আকৌ ছয়খন কৰিবলৈ বিছাৰিম। আমি মেডিকেল কলেজ প্ৰতি জিলাতে কৰিব বিচৰিছো. পাছ বছৰৰ মূৰে মূৰে যদি তিনিখনকৈ মেডিকেল কলেজ কৰা হয় তেতিয়া হ'লে কিমান হ'ব চাওঁক। বিশ বছৰৰ মূৰত কিমান হ'ব? আজি তিনিখন হৈছে কালিলৈ চাৰিখন হ'ব আৰু হ'ব। আৰু এটা কথা কোৱা হৈছে যে পাৰ কেপিটেল ইনকাম কিমান। আমি ভাৰতৰ ভিতৰত চেকেণ্ড লোৱেষ্ট হৈ আছো। ডেভেলপ বেছি হৈ আছে লিমিটৰ ভিতৰত আছে। আপোনালোক আহিলেও বিপদত নপৰে। আপোনালোকে আমাক বিপদত পেলাই গৈছিল। আমাৰ টকা চিকিং ফাণ্ড ৰিটেচন ফাণ্ডত ৰখাৰ ব্যৱস্থা কৰিছো। আজি আমাৰ অৱস্থা ভাল হৈছে। ৰিজাৰ্ভ বেঙ্কত থৈছিল, অভাৰ ড্ৰাফট হৈছিল। তেওঁলোকে অভাৰ ড্ৰাফট লৈ থাকোতে যায়। আমি এটা চিকিং ফাণ্ডৰ ব্যৱস্থা কৰিছো। পইচা মাৰিব বুলি এইটো কথা কোৱা নাই। আগতে আমাৰ অভাৱ আছিল, আমি নাই বুলি কোৱা নাই। এতিয়া আমাৰ ডেভেলাপ্ হৈছে। ক্ৰমে বি. বি. লৈ এতিয়া আমাৰ গুৱাহাটী ৮ নম্বৰত আছে।

এমপ্লয়মেণ্ট জেনেৰেচনৰ কথা কোৱা হৈছে। সেই আঁচনিৰ জৰিয়তে বহুত কাম কৰা হৈছে। ইয়াত টি ইণ্ডাষ্ট্ৰী বা অন্যান্য ইণ্ডাষ্ট্ৰীৰ কথা কোৱা হৈছে। ইণ্ডাষ্ট্ৰীয়েলীষ্ট বিলাক আমাৰ ইয়ালৈ নাহে বুলি নকয়। ২০০৮ চনত তেওঁলোকে আমাৰ ৰাজ্যখনত প্ৰায় ৪৮০ কোটি টকা ইনভেষ্ট কৰিছে। এতিযাও

ইণ্ডাষ্ট্ৰীয়েলীষ্ট সকল আমাৰ ৰাজ্যখনলৈ আহিয়েই আছে। আমি তেওঁলোকৰ ওপৰত জোৰ দিছো। আমি নিয়োগৰ ক্ষেত্ৰতো জোৰ দিছো। গ্ৰাম্য অঞ্চলতো ইণ্ডাষ্ট্ৰী হ'ব লাগিব। আমি সেই ক্ষেত্ৰতো জোৰ দিছো। ফোল্ক লোন বহুত বাঢ়িছে। আৰ্টিজেনৰ সংখ্যাও বাঢ়িছে। হেণ্ডলুম আৰু কৃষাণ কাৰ্ড বেচিকৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে। চেল্‌ফ -হেল্প গ্ৰুপৰ সংখ্যা বাঢ়ি গৈ এতিয়া এক লাখ ৭১ হাজাৰ টা হৈছে। আৰ্টিজেনেই হওঁক, চেল্‌ফ হেল্প গ্ৰুপেই হওঁক এইবিলাকৰ জৰিয়তে আমাৰ গ্ৰাম্য অৰ্থনীতি আগবাঢ়ি গৈছে। আমি ইৰিগেচন, উইভিং, ভিলেজ ইণ্ডাষ্ট্ৰী আদিৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ কাৰণে চেষ্টা কৰিছো। আমি মহিলাসকলক যিমান সুবিধা দিব পাৰো সিমানেই ভাল হয়। মহিলাসকলক চাবচিডি দিলে টকাতো ভালকৈ ইউজ কৰে বুলি টাইমচ্ অৱ ইণ্ডিয়াত এজন প্ৰফেচৰে লিখিছে। তেওঁ মহিলাসকলক চাবচিডি দিলে ইমপ্ৰোভ হয় বুলি কৈছে। কাৰণ মহিলাসকলক টকাতো দিলে তেওঁলোকে ভালকৈ টকাতো খৰচ কৰে। তেওঁলোকে ল'ৰা-ছোৱালীৰ পঢ়া শুনাকৈ ধৰি ভাল কামত টকাতো খৰচ কৰে। ওমেন এডুকেচনৰ দ্বাৰা বহুতো সমস্যাৰ সমাধান কৰিব পাৰি। আমি মহিলাসকলৰ কথা চিন্তা কৰাৰ লগে লগে জন্ম পোৱা শিশুসকলৰ কথাও চিন্তা কৰিছো। শিশু সকলক যাতে পুষ্টিকৰ আহাৰ যোগান ধৰিব পাৰে সেই কথাটোও আমি চিন্তা কৰিছো। আমি বৰ্তমান শিশুৰ জন্মৰ ক্ষেত্ৰত এহেজাৰ টকা দিছো। পিচত আমি সেই কথাটো আকৌ চিন্তা কৰি চাম। আমি এই বিষয়ে বেঙ্কৰ লগতো আলোচনা কৰিছো। কনচেপ্ট হোৱাৰ পৰা শিশুক ডাঙৰ দীঘল কৰালৈকে আমি সেই কথাটো আকৌ চিন্তা কৰি চাম। আমি এই বিষয়ে বেঙ্কৰ লগতো আলোচনা কৰিছো। ইয়াৰ উপৰি

আমি ফেমিলী প্লেনিংৰ কথাটোও চিন্তা কৰিছো। আমি সকলোবিলাক পিছ পৰা অঞ্চলৰ কথা চিন্তা কৰিছো। চৰ এৰিয়াই হওঁক,অনুসূচীত জনজাতি এৰিয়াই হওঁক, অনুসূচীত জাতি এৰিয়াই হওক, চাহ জনগোষ্ঠীৰ এৰিয়াই হওঁক, অন্যান্য পিছ পৰা শ্ৰেণীৰ এৰিয়াই হওঁক, আমি সেই সকলোবোৰ এৰিয়াৰ কাৰণে বেলেগ বেলেগ আঁচনি লৈছো। বহুতে কৈছে আপোনালোকে কি আঁচনি লৈছে? কিন্তু মই এই ক্ষেত্ৰত ক'ব বিচাৰিছো যে আজি গুৱাহাটীৰ লগত চৰ এলেকা বা চাহ জনগোষ্ঠীৰ এলেকা একে হ'ব নোৱাৰে। আমি সেই পিছ পৰা অঞ্চলবিলাকৰ শিক্ষা-দীক্ষাৰ কথাটো চাব লাগিব। সেই পিছ পৰা অঞ্চলবিলাকত শিক্ষাৰ-দীক্ষাৰ যিটো গেপ আছে সেইটো নাইকীয়া কৰিব লাগিব। আজি ইয়োথ কাউঞ্চিল, ওমেন কাউঞ্চিল আদিকে ধৰি বিভিন্ন কাউঞ্চিলৰ কথা কোৱা হৈছে। আমাৰ বাজেটত যিমান বিলাক আঁচনি আছে সেই সকলোবিলাক আঁচনিয়েই ইনোভেটিভ আঁচনি। কিন্তু ব্যুৰোক্ৰেটসকলে আপোনালোকৰ এইটো হ'ব, সেইটো হ'ব বুলি ক'ব। গোটেই আঁচনি বিলাকলৈ যদি চায় তেতিয়াহ'লে আপোনালোকে বেলেগ বেলেগ দেখিব। ইয়াৰ উপৰিও গ্ৰাম্যাঞ্চলৰ উন্নতিৰ কাৰণে আমি মোডেল ভিলেজ কৰিব বিচাৰিছো। বহুত সংখ্যক গ্ৰোথ চেণ্টাৰ কৰিব বিচাৰিছো। আজি আমি উন্নয়ন মূলক কামৰ জৰিয়তে ইনচাৰজেঞ্চি সমস্যা সমাধান কৰাৰ কথা চিন্তা কৰিছো। বহুত সংখ্যক গ্ৰোথ চেণ্টাৰ কৰিব বিচাৰিছো। আজি আমি উন্নয়নমূলক কামৰ জৰিয়তে ইনচাৰজেঞ্চি সমস্যা সমাধান কৰাৰ কথা চিন্তা কৰিছো। উত্তৰ কাছাৰ পাহাৰ জিলাৰ অৱস্থা আটাইতকৈ বেয়া হৈছে। আজিৰ পৰা ১০/১৫ বছৰ আগতে তাত যি ৰাস্তা-ঘাট আছিল এতিয়া তাতকৈও বেয়া

হৈছে। উত্তৰ কাছাৰ পাহাৰ জিলা একেবাৰে ওৰ্ৱষ্ট হৈছে। সেই কাৰণে আমি তাৰ ওপৰত গুৰুত্ব দিব বিচাৰিছো। আমি যাতে লোকেল মানুহ বিলাকক কনফিডেঞ্চলৈ আনিব পাৰো তাৰ কাৰণে ব্যৱস্থা লৈছো। সেই এৰিয়াবিলাক চোচিয়েলী বেকওৱাৰ্ড এৰিয়া আৰু আমি সেই এৰিয়া বিলাকৰ ডেভেলাপমেণ্টৰ কাৰণে ব্যৱস্থা লৈছো। আজি যিবিলাক কাউঞ্চিল গঠন কৰা হৈছে সেই কাউঞ্চিল বিলাকৰ দৰে শিলচৰৰ মাছুমৰীয়া মুছলমান সকলৰ ক্ষেত্ৰতো কাউঞ্চিল গঠন কৰাৰ কথা কোৱা হৈছে। আমি সেইটো চাম। ঠিক তেনেদৰে গাৰো সকলৰ ক্ষেত্ৰতো কাউঞ্চিল গঠন কৰাৰ কথা কোৱা হৈছে। আমি সেইটোও চাম। আজি কাৰ্বি কাউঞ্চিলৰ যিটো কথা কোৱা হৈছে সেইটো কাৰ্বি প্লেইন হ'ব লাগিছিল। আমি সেই কথাটো আলোচনা কৰিছো। সেইটো হ'ব। বিভিন্ন দিশত আজি অসমৰ পৰিৱৰ্তন হৈছে। আজি ইৰিগেচনৰ কথা কোৱা হৈছে। এটা সময়ত ইৰিগেচনৰ অৱস্থা বেয়া আছিল। এতিয়া প্ৰথমবাৰৰ কাৰণে ইৰিগেছনৰ ক্ষেত্ৰত বহুতো আঁচনি লোৱা হৈছে। মাইনৰ, মিডিয়াম আৰু মেজৰ ইৰিগেচন আঁচনিকে ধৰি সকলোধৰণৰ আঁচনিয়েই লাগিব। দুহেজাৰ মেগাৱাট বিদ্যুৎ হ'ব লাগিব। সেই দৰে আমাক দুই মেগাৱাৎ বিদ্যুৎ লাগিব। পাঁচ মেগাৱাৎ বিদ্যুৎটো লাগিব। এই ধৰণে আমি বেলেগ বেলেগ কাম কৰিব লাগিব। কৃষি, মীন আদিৰ ওপৰত আমি জোৰ দিব লাগিব। আমি সকলো বিলাক আঁচনিয়েই চাব লাগিব। এচ. চি. / এচ. টি. , টি গাৰ্ডেন, চৰ এৰিয়া আমি সকলোতে গুৰুত্ব দিছো। আমি যিবিলাক মিজাৰ লৈছো সেই মিজাৰবিলাকে আজি অসমক আগুৱাই লৈ যাব। এই ক্ষেত্ৰত আমি সকলোৰে সহায় বিচাৰিছো। মই গাঁওৰ মানুহকো লগ পাইছো। তেখেত সকলে

ৰাস্তা-ঘাটকে ধৰি আমৰ ৰাজ্যখনৰ বহুতো কাম হোৱা বুলি মোক কৈছে। কিন্তু বিধান সভাত সেই কথা আপোনালোকে নকয়। মই আৰু বেছি দীঘলীয়া নকৰো। এইখিনিকে কৈ মই সামৰণি মাৰিলো।

## MOTION FOR ELECTION OF MEMBER

**মাননীয় অধ্যক্ষ :** এতিয়া মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্য ও পৰিয়াল কল্যান মন্ত্ৰীয়ে 'শ্ৰীশঙ্কৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয় আইন ২০০৭ ৰ ধাৰা ( ২০০৭ৰ অসম আইন এক্স ওৱান ওৱান)ৰ ধাৰা ১৮ (১) (৬)ৰ উপবন্ধ অনুসৰি বিধানসভাৰ ইয়াত সদস্য-সকলৰ মাজৰ পৰা তিনিজন মান সদস্য 'শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়, অসম গুৱাহাটী'ৰ সাধাৰণ পৰিষদৰ সদস্য হ'বৰ বাবে নিৰ্বাচন কৰিবলৈ বিষয়টো উৎথাপন কৰিব।

**Dr. Himanta Biswa Sharma** (Minister Health & Family Welfare) : 3 (three) Hon'ble Members of House are to be elected by the Legislative Assembly from among its Members to become Members for the General Council of Srimanta Sankardeva University, Health Sciences, Assam, Guwahati as per provision of section 18 (1) (m) of the Srimanta Sankardeva University of Health Sciences Act. 2007 (Assam Act No. XII of 2007).

One Member from among the three elected Members is also to be elected to the Executive Council of the Srimanta Sankardeva University of Health Sciences, Assam, Guwahati as per provision of section 19 (1) (k) of the Srimanta Sankardeva University of Health Sciences Act, 2007.

The above nominations of the Members are required to fully constitute the General Council and the Executive Council of the University which has been newly established.

## POINT OF CLARIFICATION

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰদানৰ সময়ত আমাৰ বিধায়ক পুঁজিৰ আবন্টন বঢ়োৱাৰ যি কথা আছিল সেই ক্ষেত্ৰত একো নকলে বা উল্লেখ নকৰিলে সেয়ে মই মুখ্যমন্ত্ৰী মহোদয়ক এইক্ষেত্ৰত এটা ঘোষণা কৰিবৰ কাৰণে অনুৰোধ কৰিলো।

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)** ঃ আমি এইটো বঢ়াই দিম।

**মাননীয় অধ্যক্ষ** ঃ সদন অহা ১৩-৭-২০০৯ তাৰিখ পুৱা ৯ বজালৈ স্থগিত ৰখা হ'ল।

## ADJOURNMENT

The House then stood adjourned at 1.34 P.M. till 9.00 A.M. on Monday, the 13th July 2009.

G.P. Das
Secretary,
Assam Legislative Assembly.

Dispur
The 4th July, 2009